অধ্যায় ১০ ঃ টিভি সংবাদ (TV NEWS)

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ বাতৰি কোঠাৰ গঠন
১০.৪ টিভি সংবাদৰ মৌলিক বৈশিষ্ট্যসমূহ
১০.৫ 'টিভি নিউজ বুলেটিন'ৰ গাঁথনি
১০.৬ নিউজ পেকেজ
১০.৭ দৃশ্য-শ্ৰব্য মাধ্যমৰ বাবে লিখা আৰু পৰিবেশন কৌশল
১০.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৯ অধিক জানিবলৈ
১০.১০ অগ্ৰগতিৰ খতিয়ান
১০.১১ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- টিভি সংবাদৰ মৌলিক বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰিব পাৰিব
- 'টিভি নিউজ বুলেটিন' এখনৰ গাঁথনি বৰ্ণনা কৰিব পাৰিব
- এটা নিউজ পেকেজ কি কি উপাদানৰ দ্বাৰা গঠিত হয় তাৰ ব্যাখ্যা কৰিব পাৰিব।

১০.২ পৰিচয়

এতিয়ালৈ আপোনালোকে যিকেইটা অধ্যায় পঢ়ি আহিলে তাৰ পৰা এইটো নিশ্চয় বুজি উঠিছে যে টেলিভিছন সাংবাদিকৰ বৃত্তিটো কেবল গ্লেমাৰ ভৰা নহয়। যিসকলে এই কামটো বৃত্তি হিচাপে গ্ৰহণ কৰিব বিচাৰে তেওঁলোকে দিনে-ৰাতিয়ে ঘণ্টাৰ পিছত ঘণ্টা কঠোৰ পৰিশ্ৰম কৰাৰ কঠিন প্ৰত্যাহ্বানটোও গ্ৰহণ কৰিব লাগিব। যিসকলে নিজৰ মাজত সত্য অন্বেষণৰ সুতীব্ৰ আগ্ৰহ আৰু দৃঢ় সংকল্পবদ্ধতা থকা বুলি অনুভৱ কৰে তেওঁলোকৰ বাবে এই বৃত্তিটো অতি সন্তুষ্টিদায়ক সুযোগ হ'ব পাৰে।

এই অধ্যায়টোত আপোনালোকে একোটা সংবাদ 'পেকেজ' প্ৰস্তুত কৰিবলৈ প্ৰয়োজন হোৱা উপাদানবোৰৰ বিষয়ে জানিবলৈ পাব। লগতে 'নিউজ বুলেটিন' এখনৰ গাঁথনিৰ বিষয়েও বিতংকৈ জনাৰ সুযোগ পাব। অধ্যায়টো মনোযোগেৰে পঢ়ক। ই আপোনাক টেলিভিছন সাংবাদিকতাৰ জগতখনত নিজাববীয়াকৈ আকৰ্ষণীয় তথা প্ৰত্যাহ্বানপূৰ্ণ 'কেৰিয়াৰ' এটা গঢ়ি তোলাত সহায় কৰিব।

১০.৩ বাতৰি কোঠাৰ গঠন (NEWS ROOM AND ITS OPERATIONS)

বাতৰি কোঠাৰ অন্তর্ভাগ (Inside the News Room) ঃ টেলিভিছন সংবাদ উদ্যোগৰ মূল কথা হৈছে দ্রুত গতি আৰু যথার্থতা। বিসংগতি নথকাকৈ মানদণ্ড বজাই ৰাখি নিতৌ এটা অনুষ্ঠান (Show) চলাই নিয়াতো অশেষ শ্রম আৰু সমন্বয়ৰ প্রয়োজন।

প্রত্যেক নিশাই বুলেটিনখন ইয়াৰ নির্ধাৰিত সময়ত সম্প্রচাৰিত হয়। সকলোখিনি সুকলমে সমাধা হয়। আমাৰ মাজৰ বহুতেই হয়তো ভাবে যে এনে ধৰণৰ অনুষ্ঠানৰ প্রযোজনাত বিশেষ কোনো অসুবিধা নাই। পিছে ভিতৰুৱা কাহিনীটো (Inside Story) অর্থাৎ এনে ধৰণৰ অনুষ্ঠান প্রযোজনাৰ অন্তৰালত কিমান কষ্ট আৰু প্রত্যাহ্বান জড়িত হৈ থাকে তাক সেই ক্ষেত্রত অভিজ্ঞতা থকা জনেহে ক'ব পাৰিব। কেইবাজনীয়া ব্যক্তিৰ গোট এটাৰ ভালে কেইঘণ্টা জো�ৰা লেথাৰি নিচিগা চেষ্টা আৰু শ্রমৰ ফলত এনে একোখন দৈনিক চলন্তিকা অর্থাৎ বুলেটিনে গঢ় লয়। বুলেটিনখনত সন্নিৱিষ্ট হোৱা বাতৰিবোৰ যথার্থ হোৱাৰ লগতে তাত সন্নিৱিষ্ট হোৱা দৃশ্য, শব্দ তথা গ্রাফিকছবোৰৰ মাজতো পাৰস্পৰিক সমন্বয় থাকিব লাগিব। টেলিভিছন পর্দাৰ দর্শকসকলৰ ফালটোৰ পৰা এয়া দেখাত যেনে সৰল, প্রকৃতার্থত এয়া তেনেকুৱা সৰল নহয়।

যিসকল সম্প্রচাৰ সংবাদ সেৱাৰ লগত জড়িত তেওঁলোকে প্রত্যাহ্বান স্বৰূপ বান্ধি দিয়া সময়সীমাৰ মাজত (Tight Deadline) এনে এটা পাৰিপার্শ্বিকতাত কাম কৰিব লাগিব যাক কোনো কোনো সময়ত 'কণ্ট্রৌলড্ কেয়ছ্' (Controlled Chaos) বোলা হয়। এটা বাতৰি বুলেটিন সম্প্রচাৰিত হোৱাৰ ঠিক আগতে টেলিভিছনৰ এটা বাতৰি কোঠাত প্রৱেশ কৰক, বিশেষকৈ সৰু বা মধ্যম আকাৰৰ সম্প্রচাৰ কেন্দ্রত য'ত প্রায় সকলোৱে এজনতকৈ অধিক ব্যক্তিৰ কাম সমাধা কৰিবলগীয়া হয়। তাত আপুনি এনে ধৰণৰ এটা দৃশ্য প্রত্যক্ষ কৰিবলৈ পাব ঃ

সাংবাদিকসকলে লে'ট ব্রেকিং কপিত শেষ মুহূর্তৰ বাবে চকু ফুৰাই চাইছে, প্রযোজক গৰাকীয়ে কাৰোবাক চিঞৰিছে, কাৰণ স্ক্রিপ্টটোৰ ভালেকেইখিলা পৃষ্ঠা ক'ৰবাত হেৰাইছে, এগৰাকী ভিডিঅ' সম্পাদকে বৃহৎকায় মেচিন এটাক শাও-শপনি দি আছে (হয়তো মেচিনটোৱে প্রয়োজনৰ সময়ত ঠিক মতে কাম কৰা নাই, সেই বাবে ভিডিঅ' সম্পাদক বিতুষ্ট)। খেল পৃষ্ঠাৰ সম্পাদকজনে এটা কোণত কপি (Copy) অনুশীলন কৰি আছে। তাত থকা টেলিফোনকেইটা অহৰহ বাজি আছে।

বাতৰি সম্প্রচাৰৰ ঠিক আগতে, এইদৰে, ষ্টুডিঅ'ৰ ভিতৰত থকা বাতৰি প্রযোজনাৰ লগত জড়িত ব্যক্তিসকল ব্যস্ত হৈ পৰে যাতে বাতৰি সম্প্রচাৰত একো বিজুতি নঘটে। এই কথাটোক লক্ষ্য কৰিয়েই অভিযন্তাসকলে কেমেৰাসমূহ পৰীক্ষা-নিৰীক্ষা কৰে, ফ্লৌৰ ক্রিউ (Floor Crew)টোৱে পোহৰৰ সুব্যৱস্থাপনাত নিয়োজিত হয়, তথা বাতৰি প্রযোজক আৰু সম্পাদকসকলে কপি (Copy)টোৰ সংকলন (Compiling) আৰু তাৰ লগত জড়িত দৃশ্যাৱলীৰ লগত জড়িত চূড়ান্ত কামখিনি সমাধা কৰাত ব্যস্ত হৈ পৰে। সেই অনুৰূপে ষ্টুডিঅ'ত এন্ক'ৰ (Anchor) গৰাকীয়ে বাতৰি পৰিবেশন কৰিবলৈ সাজু হয়। বাতৰি সম্প্রচাৰৰ ঠিক সময়তে জিংগলটো বাজে আৰু এ্যংক'ৰ গৰাকীয়ে বাতৰি পৰিবেশন কৰা আৰম্ভ কৰে। প্রযোজনা নিয়ন্ত্রণ কক্ষত

প্রযোজক গৰাকীয়ে দায়িত্বশীল যন্ত্রকৌশলী ব্যক্তি (Technicians) সকলক বাতৰিৰ লগত জড়িত দৃশ্যাৱলী সংহত ৰূপত উপস্থাপন কৰিবলৈ ইংগিত দিয়ে। যদি সকলোবোৰ পৰিকল্পনা কৰা মতে ঠিকে ঠিকে হয় তেতিয়া কেমেৰা আৰু মাইক্ৰ'ফ'নবোৰে ভালদৰে কাম কৰিব, ভিডিঅ' টে'পবোৰ বাধাহীনভাৱে চলিব আৰু সৰ্বোপৰি অনুষ্ঠানটো সুকলমে সম্প্ৰচাৰিত হ'ব। সেই অনুষ্ঠানটো শেষ হোৱাৰ লগে লগে ক্ৰিউটোৱে পৰৱৰ্তী বাতৰি সম্প্ৰচাৰৰ বাবে নিজ নিজ দায়িত্ব সম্পন্ন কৰিবলৈ তৎপৰ হয়। এইদৰে নিতৌ টেলিভিছন চেনেলসমূহে এই ধৰণৰ পৌনঃপৌনিক তালিকা (Routine) এখন অনুসৰণ কৰে।

এই সকলোবোৰ কিদৰে হয় (How it all happens) ঃ বাতৰি সংগ্ৰহ এটা বিশিষ্ট ক্ষেত্ৰ আৰু প্ৰতিটো মুহূৰ্তৰ বাতৰি যোগান ধৰাৰ বাবে বিশেষ নৈপুণ্য (Skill) বা দক্ষতাৰ প্ৰয়োজন। সম্প্ৰতি এই ক্ষেত্ৰখন তীব্ৰ প্ৰতিযোগিতামুখৰ হৈ পৰিছে কাৰণ নিউজ চেনেলসমূহৰ বাহিৰেও সৰহ সংখ্যক মনোৰঞ্জনমূলক চেনেলৰেই (মিউজিক চেনেলক বাদ দি) নিতৌ অন্ততঃ এখনকৈ বাতৰি বুলেটিন সম্প্ৰচাৰিত হয়।

প্ৰস্তুতিৰ বাবে বাতৰি বিভাগটোৰ হাতত নিচেই কম সময় থাকে। প্ৰায়ভাগ ক্ষেত্ৰতে তেওঁলোকে ঘটনাস্থলীলৈ 'দৌৰি' (Rush) যাবলগীয়া হয়। গতিকে তেওঁলোক পৃথক পৃথক সৰঞ্জামৰ গোট আৰু অন্যান্য আনুসংগিক সা-সৰঞ্জামেৰে সাজু হৈ থাকে। তদুপৰি তেওঁলোকৰ নিজস্ব সংবাদ সেৱীৰ দল থাকে যিসকল অহৰহ বাতৰি বা ঘটনা সংগ্ৰহত লিপ্ত হৈ থাকে।

আহকচোন, আমি এতিয়া বাতৰিৰ লগত জড়িত বিভিন্ন বিষয়ৱবীয়া আৰু কৰ্মীৰ ভূমিকা আৰু দায়িত্বত চকু ফুৰাও—

বাতৰি সম্পাদক (News Editor) ঃ বাতৰি সম্পাদক অৰ্থাৎ নিউজ এডিট'ৰ বাতৰি কোঠা অৰ্থাৎ নিউজ ৰুমৰ মূল ব্যক্তি। তেওঁ সেই চেনেলটোৰ ডি-ফেক্টো কেপ্তেইন হোৱাৰ লগতে চেনেলটোৰ দ্বাৰা সম্প্ৰচাৰিত হোৱা প্ৰত্যেকটো বাতৰিৰ বাবে দায়বদ্ধ। তেওঁ বিভাগটোৰ ব্যক্তিগত দিশ, বাজেট আৰু নীতি প্ৰস্তুতি দিশত আগভাগ লয়। প্ৰকৃততে বাতৰি সম্পাদকগৰাকীয়ে চেনেলটোত কাৰোবাক নিয়োজিত (Heres) আৰু অন্য কাৰোবাক বিতাৰিত (Fire) কৰে। বিত্ত বিষয়ক প্ৰসংগক লৈ তেওঁ অন্যান্য বিভাগৰ লগত যুক্তি-তৰ্কতো লিপ্ত হ'বলগীয়া হয়। কেন্দ্ৰটোৱে কি কি বিষয় সামৰিব আৰু দৈনিক ভিত্তিত সেয়া কেনেকুৱা হ'ব তাক নিৰ্ধাৰণ কৰে। অৱশ্যে এই বিষয়ত তেওঁ চেনেলটোৰ মুখ্য গৰাকীৰ লগত পৰামৰ্শ কৰি তেওঁৰ উপদেশ গ্ৰহণ কৰে। তাৰ আধাৰতে তেওঁ নীতি (Policy) নিৰ্ধাৰণ কৰে। চেনেলটোক নীতি-নিৰ্দেশনা দিওঁতে তেওঁ আঁচনি প্ৰস্তুত কৰে, নিৰ্দেশনা জাৰি কৰে আৰু এইটো কথাৰ প্ৰতি দৃষ্টি দিয়ে যাতে বুলেটিনসমূহৰ বাবে ষ্টৰিৰ সহজলভ্যতা সুনিশ্চিত হয়।

বাতৰি সম্পাদকৰ বিবিধ দায়িত্বৰ প্ৰতি দৃষ্টি ৰাখি আমি বাতৰি প্ৰযোজকগৰাকীৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা আওকাণ কৰিব নোৱাৰো। বাতৰি প্ৰযোজকগৰাকীয়ে শূন্যতে (Vacuum) কাৰ্য সম্পাদন নকৰে, যদিওবা তেওঁ অনুষ্ঠান প্ৰযোজক বা কেন্দ্ৰ ব্যৱস্থাপকৰ ওচৰত দায়বদ্ধ। অনুষ্ঠান প্ৰযোজক বা কেন্দ্ৰ ব্যৱস্থাপকে অধিক উচ্চ ব্যৱস্থাপকৰ ওচৰত দায়বদ্ধ। ব্যৱস্থাপনা কৰ্তৃপক্ষই

বিক্রী, কার্যসূচী প্রস্তুতি আৰু বাতৰিৰ বাবে নীতি নির্ধাৰণ কৰে আৰু সেই সেই ক্ষেত্রত বিভাগীয় মুৰব্বীসকলে সেই নীতিসমূহ কার্যকৰী কৰে।

তুলনামূলকভাৱে সৰু কেন্দ্রত একেজন ব্যক্তিয়ে ভালে কেইটা দায়িত্বত মনোনিৱেশ কৰিবলগীয়া হয়। উদাহৰণ স্বৰূপে, সচৰাচৰ বাতৰি সম্পাদকগৰাকীয়েই কেন্দ্রটোৰ মুখ্য এন্‌ক্যাৰ (Achor) বা অন্‌ এয়াৰ নিউজ টেলেণ্ট (On-air News Talent) হিচাপে কর্তব্য সম্পাদন কৰে। অন্য পৰিস্থিতিত তেওঁ অনুষ্ঠান পৰিচালক (Program Director) বা কেন্দ্র ব্যৱস্থাপক (Station Manager)ৰ কার্য সম্পাদন কৰিবলগীয়া। আকৌ কেতবোৰ বিশেষ পৰিস্থিতিত বাতৰি পৰিচালকগৰাকীয়ে এছাইন্‌মেণ্ট (Assignment) সম্পাদক হিচাপে দ্বৈত দায়িত্ব পালন কৰে আৰু ষ্ট'ৰিসমূহ ক'ভা�ৰ (Cover) কৰিবলৈ সাংবাদিক আৰু ভিডিঅ'গ্রাফাৰ পঠিওৱাৰ দায়িত্ব পালন কৰিবলগীয়া হয়। তেওঁ দূৰৱর্তী স্থানত নিযুক্ত ষ্ট্রিংগাৰসকলৰ কামতো সমন্বয়ৰক্ষীৰ ভূমিকা পালন কৰিবলগীয়া হয়।

বাতৰি প্রযোজক (News Producer) ঃ বাতৰি প্রযোজক হৈছে সেই গৰাকী ব্যক্তি যিয়ে বিভিন্ন উৎসৰ পৰা অহা ষ্ট'ৰিসমূহ শাৰী শাৰীকৈ সজাই তাক বুলেটিন এখনৰ বাবে গাঁথি (Package) উলিয়ায়। বাতৰি প্রযোজক গৰাকীয়ে নির্বাচন কৰা ষ্ট'ৰিসমূহ বাতৰি সম্পাদক গৰাকীয়ে একে লগ কৰে। লগতে তেওঁ ইয়াকো সুনিশ্চিত কৰে যাতে ষ্ট'ৰি এটাৰ লগত সম্বন্ধিত সকলো ভিডিঅ'/অডিঅ'/গ্রাফিকছ ঠিক মতে যথা স্থানত সংলগ্ন কৰা হৈছে। বহুত সময়ত বাতৰি প্রযোজক গৰাকীয়ে বাতৰি বুলেটিন এখনত বিভিন্ন সংবাদদাতা/প্রতিবেদকে কার্যকৰ অৱস্থাত থকা (Live) বাতৰি সমন্বিত ৰূপত উপস্থাপন কৰিবলগীয়া হয়। তদুপৰি তেওঁ বুলেটিনখন অন্তর্ভুক্ত হোৱা ষ্ট'ৰিসমূহৰ যথাযথ মিক্স (Mix) আৰু সমতাৰ প্রতিও দৃষ্টি দিয়ে। এটা নিউজ চেনেলৰ ছয়জনৰ পৰা আঠজনলৈকে বাতৰি প্রযোজক থাকিব পাৰে।

মুখ্য সাংবাদিক/এছাইনমেণ্ট সম্পাদক (Chief Reporter/Assignment Editor) ঃ মুখ্য সাংবাদিক বা এছাইনমেণ্ট (Assignment) সম্পাদক গৰাকীয়ে সাংবাদিক আৰু কেমেৰাৰ দায়িত্বত থকা ব্যক্তিসকলক নির্দিষ্ট ঘটনা বা প্রসংগক লৈ প্রতিবেদন প্রস্তুত কৰিবলৈ আৰু চিত্রগ্রহণ কৰিবলৈ নির্দেশ দিয়ে। তদুপৰি তেওঁ সাংবাদিকসকলক বিশেষ বিশেষ বীটত কাম কৰিবলৈ নিয়োগ কৰে। এগৰাকী এছাইনমেণ্ট (Assignment) সম্পাদকৰ নিত্য নৈমিত্তিক কাম হৈছে স্থানীয় আৰু আঞ্চলিক বাতৰিকাকতসমূহত সূক্ষ্মভাৱে চকু ফুৰোৱা যাতে প্রতিযোগিতামুখৰ পৰিবেশত তেওঁলোকতকৈ অন্য বাতৰিকাকতৰ হাতত যাতে কোনো বিশেষ গুৰুত্বপূর্ণ বাতৰি আগতে নপৰে। বাতৰিৰ টিপছ (Tips)বোৰ তাঁৰ মাধ্যম বা ফেক্সৰ জৰিয়তে নিউজ ৰুমলৈ আহে। এছাইনমেণ্ট সম্পাদকগৰাকীয়ে বিষয়সূচীত অন্তর্ভুক্ত বাতৰি (Scheduled News) আৰু বিষয়সূচীত তালিকাভুক্ত নোহোৱা বাতৰি (Unscheduled News) চিহ্নিত কৰে আৰু বিভিন্ন ক্ষেত্রত থকা সাংবাদিক/প্রতিবেদক (Field Reporters/Correspondents) সকলৰ লগত দৈনিক যোগাযোগ অটুট ৰাখে। তেওঁ সিবিলাকক ষ্ট'ৰিৰ গুণাগুণক লৈ ফীড্‌বেক্‌ (Feedback) যোগান ধৰাৰ লগতে তাত আৰু কি কি দিশ সংযোজিত কৰিব লাগিব তাৰ

পৰামর্শ দিয়ে। লগতে ফল'আপ্ (Follow-up) সম্বন্ধিত সতর্ক বাণী প্রেৰণ কৰে।

সাংবাদিক/প্রতিবেদক (Reporter/Correspondent) ঃ প্রতিবেদকে উৎসৰ বিকাশ কৰে আৰু ক্ষেত্রভিত্তিক বাতৰি সংগ্রহ কৰে। সাধাৰণতে বাতৰিসমূহ বাণীবদ্ধ ৰূপতে সংগ্রহ কৰে। সাংবাদিকে সাক্ষাৎকাৰ লয়, ভ'ক্স পপুলি (Vox Populi) অর্থাৎ ৰাইজৰ কণ্ঠ, পিচ্ টু কেমেৰা (Piece to Camera) অর্থাৎ ষ্টেণ্ড আপছ (Standsups) আৰু সংবাদ প্রচাৰৰ বাবে ষ্ট'ৰি লিখে। তেওঁ এইটো সুনিশ্চিত কৰে যাতে ষ্ট'ৰিৰ বাবে প্রয়োজনীয় দৃশ্যাংশ (Visuals)সমূহ সম্পাদনাৰ বাবে আগতীয়াকৈ কেন্দ্রত আহি পায়। কিছুমান নিউজ চেনেলে তেওঁলোকৰ সাংবাদিকসকলে নিজৰ নিজৰ ষ্ট'ৰিসমূহ সম্পূর্ণ ৰূপত সম্পাদনা কৰি তাত ধাৰাভাষ্য, দৃশ্যাৱলী, সাক্ষাৎকাৰ আৰু পিচ্ টু কেমেৰা সন্নিৱিষ্ট কৰাটো বিচাৰে। প্রয়োজন সাপেক্ষে ঘটনাস্থলীৰ পৰা লাইভ ইম্পুট (Live Input)ৰ যোগান ধৰে। লাইভ ইম্পুটৰ ভিতৰত অন্তর্ভুক্ত হয় ঘটনাস্থলীৰ ভাষ্যকাৰে আগবঢ়োৱা প্রতিবেদন যি টেলিফোনৰ মাধ্যমেদি আহৰণ কৰা হয় বা কেমেৰাৰ সন্মুখত স্বয়ং সাংবাদিকগৰাকীয়ে আগবঢ়োৱা ভাষ্য যিটো আজিৰ দিনত সচৰাচৰ দেখিবলৈ পোৱা যায়।

শেহতীয়াকৈ ভালেসংখ্যক নিউজ নে'টৱর্ক (News Network)ত মাল্টি-টাস্কিং (Multi-Tasking) অর্থাৎ বহুধাবিভক্ত কর্ম কৰাটো ৰীতি হৈ পৰিছে। কথাটো সহজভাৱে বুজাবলৈ হ'লে আমি এইটো ক'ব পাৰো যে সাংবাদিকসকলে অন্যান্য যন্ত্রকৌশলীৰ সহযোগিতাত টেলিভিছনৰ বাবে ষ্ট'ৰিসমূহৰ দৃশ্য গ্রহণৰ লগতে বাতৰি হিচাপে তাক প্রস্তুত কৰিব লাগিব। ইয়াৰ বাহিৰেও তেওঁলোকে নিজৰ নিজৰ ষ্ট'ৰিক সম্পাদনা কৰি তাক চেনেলৰ বাতৰি কোঠালৈ প্রেৰণ কৰিব লাগিব। এয়ে সাংবাদিকসকলৰ ওপৰত ছাপ বৃদ্ধি কৰে। অৱশ্যে যিবিলাক সংগঠনে ইতিমধ্যে বহুধাবিভক্ত কামত নিপুণ ব্যক্তিক নিয়োগ কৰা আৰম্ভ কৰিছে, তেওঁলোকে এই মত ব্যক্ত কৰিছে যে এনে ধৰণৰ ব্যৱস্থাই বাতৰি সংগ্রহ আৰু প্রস্তুতিৰ অভিযানত নিয়োজিত ব্যক্তিৰ সংখ্যা কমায়।

কেমেৰা পার্ছন (Camera Person) ঃ কেমেৰা পার্ছন অর্থাৎ কেমেৰাৰে দৃশ্য গ্রহণকাৰী যন্ত্রকৌশলী ব্যক্তিগৰাকীয়ে কেমেৰা চালনাৰে এটা উপলক্ষ (Event)ক ছবিৰ মাজেদি বন্দী কৰে। তেওঁ নিজ বিচাৰ-বিবেচনাৰে অথবা সাংবাদিকগৰাকীৰ নির্দেশ অনুসাৰে উপলক্ষ এটাৰ বিভিন্ন অংশ কেমেৰাত বন্দী কৰে। সৰু-সু�ৰা কেন্দ্রত কেমেৰা পার্ছনগৰাকীয়ে সাংবাদিকৰ কামো কৰে। এটা ষ্ট'ৰিৰ বাবে গুণগত মানৰ দৃশ্যাংশ আৰু কাট্আউট যোগান ধৰাতো তেওঁৰ কর্তব্যৰ ভিতৰত পৰিব। এটা নিউজ চেনেলৰ বাবে কাম কৰা কেমেৰা পার্ছনৰ ভাল ৰিফ্লেক্স (Reflexes) থকাতো প্রয়োজন তথা উৎকৃষ্ট মানৰ দৃশ্যাৱলী আৰু ছাউণ্ড বাইট (Sound Bite) যোগানৰ বাবে তেওঁৰ প্রত্যাহ্বান গ্রহণৰ সামর্থ থাকিব লাগিব।

সাংবাদিক, এছাইনমেণ্ট সম্পাদক আৰু প্রযোজকৰ লগত প্রত্যেকটো ষ্ট'ৰিৰ বিষয়ে আলোচনা কৰা হয়। ষ্ট'ৰিটো বাতৰি হিচাপে পৰিবেশনৰ বৰে বিবেচিত হ'লে সাংবাদিকগৰাকীয়ে ক্ষেত্রভিত্তিক (Ground Work) কাম-কাজৰ প্রস্তুতি চলায়। উদাহৰণ স্বৰূপে সাক্ষাৎকাৰ গ্রহণ, ইত্যাদি।

যথোপযুক্ত দৃশ্য গ্রহণ কৰাটো কেমেৰা পাৰ্ছনৰ কৰ্মৰ আওতাত পৰে। যদিহে ষ্ট'ৰিটো বস্তি জ্বলাই মানুহে সতৰ্ক পহৰাৰত অৱস্থাত থকা দৃশ্য দৰ্শাই, তেতিয়াহ'লে কেমেৰা পাৰ্ছনে ভিডিঅ'ত সেই দৃশ্য বন্দী কৰিব লাগিব। এই সকলোবোৰ কৰোঁতে কেইবা ঘণ্টাও লাগিব পাৰে অথবা ৩০ মিনিটতকৈ কম সময়তে কামটো (দৃশ্যগ্রহণ) সম্পন্ন হ'ব পাৰে।

ষ্ট্রিংগাৰছ (Stringers) ঃ সাধাৰণতে ষ্ট্রিংগাৰ হৈছে সেই শ্রেণীৰ কেৰেয়া কৰি লোৱা (Hired) সাংবাদিক যিসকলে এনেকুৱা উপলক্ষৰ দৃশ্যাৱলীৰ যোগান ধৰে যি ঘটনা বা উপলক্ষৰ উদ্ভাৱন স্থল কেন্দ্র প্রতিবেদক বা সাংবাদিকে ঢুকি পোৱাৰ পৰা বহুত দূৰৈত। ষ্ট্রিংগাৰসকল এটা টেলিভিছন কেন্দ্রৰ স্থায়ী কৰ্মচাৰী নহয়, কেন্দ্রলৈ তেওঁলোকে যোগান ধৰা উপলক্ষ আৰু তাৰ সম্প্রচাৰৰ সংখ্যাৰ ভিত্তিত তেওঁলোকক মাননি দিয়া হয়। যেতিয়া ঘটনা সংঘটিত হোৱা স্থলী নগৰৰ টেলিভিছন কেন্দ্র থকা এলেকাৰ পৰা দূৰত আৰু য'লৈ ষ্টাফ কেমেৰামেন (Staff Cameraman) গৰাকীক পঠিওৱাতো সম্ভৱ নহয়, তেনে স্থলত ষ্ট্রিংগাৰৰ সহায় লোৱা হয়। ষ্ট্রিংগাৰসকল মূলতঃ সাংবাদিক বা কেমেৰা পাৰ্ছন যাক নির্দিষ্ট প্রথা অনুসৰি নির্বাচিত আৰু এম্‌পেনেল (Empanell) কৰা হয় তথা গুৰুত্বপূর্ণ ঘটনাৰ বাতৰি পৰিবেশনৰ বাবে তেওঁলোকক নিয়োগ কৰা হয়। বাতৰিৰ ক'ভাৰেজ (Coverage) ল'বলৈ ষ্ট্রিংগাৰৰ বাবে যথোপযুক্ত সা-সুবিধা আৰু সা-সৰঞ্জাম থকাতো অত্যাৱশ্যকীয়। তদুপৰি তেওঁলোক ভাল নিউজ ছেন্স (News Sense) থকা ভাল কেমেৰামেন হ'ব লাগিব।

ভিডিঅ' সম্পাদক (Video Editor) ঃ কেৱল মাত্র এটা ঘটনা বা উপলক্ষৰ প্রতিবেদন দাখিল আৰু তাক ভিডিঅ' কেমেৰা বন্দী কৰাতেই বাতৰি প্রযোজনা সম্পন্ন নহয়। বৰঞ্চ ইয়াৰ পৰিবেশনৰ উপযোগী কৰিবলৈ অন্যান্য উপাদানৰ প্রয়োজন। এটা নিউজ ৰিপ'র্ট (প্রতিবেদন), সাক্ষাৎকাৰ, দৃশ্যাৱলী আৰু সাংবাদিকৰ কণ্ঠস্বৰৰ সন্মিলিত প্রয়াসত সৃষ্টি হয়। সৰহ সংখ্যক সাংবাদিকে পেকেজৰ ৰূপত নিজৰ ষ্ট'ৰি উপস্থাপন কৰে। সাধাৰণতে প্রযোজকগৰাকীয়ে সাংবাদিকক এক মিনিটৰ পৰা তিনি মিনিটলৈকে সময় দিয়ে। ষ্ট'ৰি ভেদে ইয়াত সময়ৰ তাৰতম্য ঘটবি পাৰে— ষ্ট'ৰিটোৰ বিষয় কি, তথা সাংবাদিকৰ হাতত মজুত থকা ভাল ভিডিঅ' আৰু সাক্ষাৎকাৰৰ সংখ্যা। সাংবাদিকজনে ষ্ট'ৰিটো লিখিব লাগিব, সাক্ষাৎকাৰৰ অংশসমূহ বাচি উলিয়াব লাগিব, কি ভিডিঅ' দিব তাক নির্ধাৰণ কৰিব লাগিব আৰু তাৰ পিছত সম্পূর্ণ পাণ্ডুলিপিটো প্রযোজকৰ হতু�ৰাই অনুমোদন কৰাই ল'ব লাগিব। বাতৰি পৰিবেশনত দেখাতকৈ এই প্রক্রিয়াই কিছু দীঘলীয়া সময় ল'ব। সেই গৰাকী ব্যক্তি যি গৰাকীয়ে সম্পাদনা যন্ত্রত খৰতকীয়াকৈ হাত দি এটা নিউজ ষ্ট'ৰিক প্রকৃততে গঢ় প্রদান কৰে তেওঁক ভিডিঅ' সম্পাদক বোলে। তেওঁ সাংবাদিক গৰাকীৰ পৰা লাভ কৰা ষ্ট'ৰি/ক্রিপ্টৰ আধাৰত ভিডিঅ' ইম্‌পুটসমূহ সম্পাদনা কৰে।

ষ্ট'ৰিটোৰ সময় মাত্র দুই মিনিট হ'ব পাৰে য'ত সন্নিৱিষ্ট হ'ব নিউজ ৰুম বা ক্ষেত্র স্থলত সাংবাদিকগৰাকীৰ উপস্থিতি। কিন্তু সম্পাদনা প্রক্রিয়াতো (বাইটছ আৰু দৃশ্যাৱলীক) একে লগ কৰাত কিছু বেছি সময়ৰ প্রয়োজন হ'ব, হয়তো কেইবা ঘণ্টাও হ'ব পাৰে।

ভইচ-অ'ভাৰ আর্টিষ্ট (Voice-Over Artist) ঃ বেছিভাগ ক্ষেত্রতে সাংবাদিকগৰাকীয়ে ধাৰাভাষ্যৰ যোগান ধৰে। কিছুমান টেলিভিছন চেনেলে গুণমান উন্নত কৰিবলৈ পেছাদাৰ ভইচ-অ'ভাৰ আর্টিষ্ট নিয়োগ কৰে। ভইচ-অ'ভাৰ আর্টিষ্টে নিউজ ষ্ট'ৰিৰ বাবে পার্শ্ব ধাৰাভাষ্যৰ যোগান ধৰে, অর্থাৎ ই সম্পাদকৰ বাবে ষ্ট'ৰিটো গঢ় দিয়াত ভইচ-অ'ভাৰটো বাণীবদ্ধ কৰে।

এন্‌ক্যাৰ/নিউজকাষ্টাৰ (Anchor/Newscasters) ঃ নিউজ কাষ্টত নিউজ ষ্ট'ৰিসমূহ পঢ়া ব্যক্তিগৰাকীক এন্‌ক্যাৰ বা নিউজ কাষ্টাৰ বোলে।

ৱেডাৰকাষ্টাৰ/স্পর্টকাষ্টাৰ (Weathercasters/Sportscasters) ঃ এইসকল সেইসকল প্রতিভাশালী ব্যক্তি যিয়ে বতৰ আৰু ক্রিয়া বিষয়ক প্রতিবেদন পৰিবেশন কৰে। বতৰ বিজ্ঞান বিভাগ আৰু ক্রীড়া ক্ষেত্রৰ লগত জড়িত যথোপযুক্ত গ্রাফিক তথ্যৰ সহায়ত তেওঁলোকে নিজ নিজ ক্ষেত্রৰ পৰিবেশন কার্য সম্পন্ন কৰে।

কাৰিকৰী সম্পাদক (Technical Editors) ঃ কাৰিকৰী সম্পাদকগৰাকীৰ দায়িত্ব হৈছে বিভিন্ন শ্ব'ট (Shot) আৰু অডিঅ'ৰ সংযোজন ঘটোৱা আৰু তাৰ সহায়ত একোটা নিউজ ষ্ট'ৰি নির্মাণ কৰি সেই নিজউ ষ্ট'ৰিসমূহৰ সমন্বয়ত নিউজ বুলেটিন একোখন প্রস্তুত কৰা। তেওঁৰ কাৰিকৰী কৌশলৰ বিষয়ে যথেষ্ট জ্ঞান থাকিব লাগিব। তাৰ লগতে ভাল নিউজ আৰু নন্দনতাত্ত্বিক সৌন্দর্যৰ সম্বন্ধেও তেওঁৰ জ্ঞান থকা প্রয়োজন। আজিকালিৰ নিউজসমূহক সাধাৰণতে স্থলতে বাণীবদ্ধ বা কেমেৰাত বন্দী কৰা হয়। বাস্তৱ সময়ত অন্‌লাইন (Online) সম্পাদনাৰ প্রয়োজনীয়তা আহি পৰিছে। কাৰিকৰী সম্পাদকগৰাকীয়ে সেয়া সূচাৰুৰূপে সমাধা কৰিব পাৰিব লাগিব।

মাল্টি-মিডিয়া প্রযোজক (Multi-Media Producer) ঃ টেলিভিছনৰ নিউজ চেনেলৰ মাল্টি-মিডিয়া প্রযোজকগৰাকীয়ে এইটো সুনিশ্চিত কৰে যাতে সকলো ষ্ট'ৰি চেনেলটোৰ ৱেবছাইট (Website)ৰ বাবে লিখা হয় আৰু দৈনিক তাৰ আপ্‌ডেট (Update) হয়। ৱেবছাইটটোত থকা ইমেজ (Image), গ্রাফিকছ (Graphics), ব্যাখ্যামূলক চিত্রাংকন (Illustrations) আৰু অন্যান্য বিষয়বস্তু (Contents)ৰ বাবে তেওঁ দায়িত্বশীল।

এতিয়ালৈকে চাগৈ আপুনি এইটো উপলব্ধি কৰিব পাৰিছে যে যদিও চূড়ান্ত প্রস্তুত দ্রব্যস্বৰূপ (Product) নিউজ বুলেটিনখন গঢ় দি উলিয়াবলৈ সহজ যেন দেখি, প্রকৃতার্থত সেয়া তেনেকুৱা নহয়। যদি ই দেখাত তেনেই সহজ হয়, তেতিয়াহ'লে এইটো বুজিব লাগিব যে নিউজ টিমটো (News Team)ৰ সকলোৱে অন্‌-এয়াৰ (On-air)ৰ পৰা আদি কৰি অফ্‌-এয়াৰ (Off-air) আৰু ষ্টুডিঅ'ত কাম কৰা ব্যক্তিসকললৈকে সকলোৱে নিজ নিজ ভূমিকা সূচাৰুৰূপে পালন কৰিছে। যেতিয়া কিবা এটা বিজুটি ঘটে, তেতিয়া তাত এটা বা কেইবাটাও সমস্যা থাকিব পাৰে। সেই বিষয়ে কোৱাতো সিমান সহজ নহয়। যি কি নহওক, আপুনি ভালদৰে বহি লৈ বাতৰি পৰিবেশন চাব আৰু শুনিব পাৰিব। আপুনি কল্পনা কৰিব পাৰিব যে বাতৰি পৰিবেশনা এটা সাধাৰণ বিষয়। পিছে এয়া সহজতে সম্ভৱ নহয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ এটা টেলিভিছন চেনেলত কোন বাতৰি বিভাগৰ মুৰব্বী?

.....

প্রশ্ন নং ২ ঃ এটা টেলিভিছন চেনেলত কাৰিকৰী সম্পাদক এগৰাকীৰ ভূমিকা কি?

.....

.....

.....

.....

প্রশ্ন নং ৩ ঃ আপুনি ভাবে নেকি যে মাল্টি-টাস্কিং (Multi-taskig) এগৰাকী সাংবাদিকৰ প্রয়োজনীয় অর্হতা? ব্যাখ্যা কৰক।

.....

.....

.....

.....

প্রশ্ন নং ৪ ঃ ৰেডাৰ কাষ্টাৰ (Weather Caste) কোন?

.....

.....

প্রশ্ন নং ৫ ঃ এগৰাকী মাল্টি-মিডিয়া প্রযোজকৰ কাম কি?

.....

.....

.....

১০.৪ টিভি সংবাদৰ মৌলিক বৈশিষ্ট্যসমূহ (BASIC FEATURES OF TV NEWS)

অধ্যায়ৰ এই শাখাটোত আমি টেলিভিছন 'নিউজ বুলেটিন'ৰ সংৰচনাত্মক আৰ্হি, সময় দৈর্ঘ্য আৰু বিষয়ৰ অনুক্রম আদি কথা আলোচনা কৰিম। লগতে 'নিউজ বুলেটিন' এখনৰ বিষয়সূচীত অন্তর্ভুক্ত ঘটনাবোৰ বাচনি কৰাৰ ভিত্তি কি হ'ব পাৰে সেই বিষয়েও বহলাই ব্যাখ্যা কৰা হ'ব।

টেলিভিছনৰ দ্বাৰা সম্প্রচাৰিত সংবাদৰ বিভিন্ন ৰূপ আছে। হ্রস্বকালীন ধাৰা বিৰৰণী সম্বলিত 'স্লাইড বুলেটিন' (Brief Voice-Over Slide Bulletin) সম্প্রচাৰ কৰাৰ উপৰি ২৪ ঘণ্টা ধৰি সংবাদ সম্প্রচাৰ কৰা 'নিউজ চেনেল'ও আছে। অধিকাংশ বৃহৎ টেলিভিছন ছেনেলে প্রতিদিনে

দুটা অথবা তিনিটাকৈ সংবাদৰ অনুষ্ঠান প্ৰস্তুত কৰে। ইয়াৰে কিছুমান অনুষ্ঠানৰ দৈর্ঘ্য ৩০ মিনিট আৰু আন কিছুমানৰ দৈর্ঘ্য এঘণ্টা। এই অনুষ্ঠানসমূহ সাধাৰণতে দুপৰীয়া, সান্ধ্য ভোজনৰ সময়ত আৰু ৰাতি ১০ৰ পৰা ১১ বজাৰ ভিতৰত সম্প্ৰচাৰ কৰা হয়। মুষ্টিমেয় কেইটামান ষ্টেশ্যনে ৰাতিপুৱাৰ ভাগত বাতৰি সম্প্ৰচাৰ কৰে। ক্ষুদ্ৰ পৰিসৰৰ বজাৰত সেৱা আগবঢ়াই থকা সকলৰ বাহিৰে ষ্টেশ্যনৰ মুঠ কৰ্মচাৰীৰ সংখ্যা অনুপাতে অধিকাংশ সংবাদ বিভাগেই বৃহৎ কলেবৰৰ। একোটা বিভাগত বাৰজনৰ পৰা প্ৰায় এশজন পৰ্যন্ত কৰ্মচাৰী থাকিব পাৰে। সাংবাদিক, এংকৰ অৰ্থাৎ সংবাদ পৰিৱেশনকাৰী, সংবাদ লেখক, ভিডিঅ' টেইপ ক্ৰু অৰ্থা দৃশ্য-শ্ৰব্য সমল একত্ৰ কৰোঁতা, ম'বাইল আউটড'ৰ ব্ৰডকাষ্ট (OB) ভেন অপাৰেটৰ অৰ্থাৎ ভ্ৰাম্যমান বহিঃ সম্প্ৰচাৰ বাহন পৰিচালক, অপাৰেটৰ অফ স্পেছিয়েল-ইফেক্ট জেনেৰেটৰ এণ্ড কম্পিউটাৰ গ্ৰাফিকছ্ ছিষ্টেম অৰ্থাৎ দৃশ্যাৱলীৰ বিশেষ ৰূপ প্ৰদান তথা কম্পিউটাৰ গ্ৰাফিকছ্ পদ্ধতি প্ৰয়োগ কৰোঁতা, টেইপ সম্পাদক (Tape Editor) আৰু ষ্টুডিঅ' নিয়ন্ত্ৰণ কক্ষ তথা ভিডিঅ' টেইপ কক্ষত কৰ্মৰত অসংখ্য প্ৰযোজনা বিভাগৰ কৰ্মীয়ে সন্মিলিত প্ৰচেষ্টাৰে টেলিভিছন সংবাদ অনুষ্ঠানবোৰ প্ৰস্তুত কৰে। বৰ্তমান সময়ত ভিডিঅ' টেপসমূহৰ ঠাইত ডিজিটেল কেমেৰা ব্যৱহাৰ কৰা হয়। এই কেমেৰাত চলমান চিত্ৰসমূহ ডিজিটেল ব্যৱস্থাৰে গ্ৰহণ কৰি পাছত ষ্টুডিঅ'ৰ প্ৰয়োজন অনুসৰি সম্পাদনা কৰা হয়।

এটা দৈনিক টেলিভিছন সংবাদ অভিযান সম্পন্ন কৰাৰ এক সুবিবেচনাপূৰ্ণ আৰ্হি আছে। এটা টেলিভিছন সংবাদ সম্প্ৰচাৰৰ আগে-পিছে লেখনি, গৱেষণা, সাক্ষাৎগ্ৰহণ, দৃশ্যগ্ৰহণ আৰু সম্পাদনা আদি কাম জড়িত হৈ থাকে। এটা সংবাদকক্ষত ঘণ্টাৰ পিছত ঘণ্টা ধৰি চলি থকা অনুমান-পূৰ্বানুমানবোৰ কৰ্ম-কাণ্ডসমূহ গৈ সম্প্ৰচাৰথলী আৰু নিয়ন্ত্ৰণ কক্ষত কেন্দ্ৰিত হৈ পৰাৰ লগে লগে স্তব্ধ হৈ পৰে। একোখন 'নিউজ বুলেটিন' সম্প্ৰচাৰ হোৱাৰ আঁৰত কেন্দ্ৰীভূত প্ৰচেষ্টা আৰু উদ্বিগ্নতাভৰা পৰিবেশ একোটা থাকে। সম্প্ৰচাৰৰ শেষত বিভিন্ন বিভাগত জড়িত ব্যক্তিসকলৰ নাম যেতিয়া পৰ্দাত ভাঁহিবলৈ ধৰে তেতিয়াহে সকলোৱে সকাহৰ উশাহ লয়। যদি বাতৰি সম্প্ৰচাৰিত হৈ থকা সময়তে কিবা বিশেষ বিজুতি (বিৰল সম্ভাৱনা) ঘটে, তেন্তে বাতৰি প্ৰযোজক, 'এছাইনমেণ্ট' সম্পাদক, এংকৰসকল আৰু অন্য গুৰুত্বপূৰ্ণ দায়িত্বত থকা বিষয়া-সকলে অনুষ্ঠান প্ৰযোজকৰ সৈতে মিলিত হৈ একোটা সংক্ষিপ্ত 'প'ষ্টমৰ্টেম' (কি ঘটিল, কি নঘটিল আৰু কিয় এনে হ'ল তাৰ পৰ্যালোচনা) কৰে।

টেলিভিছন সংবাদক সাৰগৰ্ভ চৰ্চা আলোচনাপ্ৰধান মাধ্যম স্বৰূপ বুলি গণ্য কৰা বিভাগৰ অন্তৰ্গত বুলি ধৰা হয়। যোগাযোগৰ সকলোবোৰ উপাদান তথা বৈশিষ্ট্য সম্বলিত টেলিভিছন সংবাদক এক বিশেষ প্ৰকাৰৰ 'যোগসূত্ৰ স্থাপনকাৰী সংগঠন' (Communicative Event) বুলিও কোৱা হয়। ইয়াত সামাজিক পৃষ্ঠভূমি (জ্ঞান, আদৰ্শ আৰু দৃষ্টিভংগীৰ সমভাগ), প্ৰস্তুতকৰণ পদ্ধতি (ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক নিৰ্মায়ক), গ্ৰহণ পদ্ধতি (অংশগ্ৰহণকাৰী সাংকেতিক চিহ্নৰ বিসাংকেতিককৰণ) তথা অন্যান্য কাম-কাজৰ সমাহাৰ দেখা পোৱা যায়।

এখন টিভি 'নিউজ বুলেটিন'এ অৱশ্যে অনাতাঁৰ সংবাদৰ দৰে বিস্তৃত বিৱৰণী তথা গভীৰ

অনুসন্ধান প্রতিবেদন পৰিৱেশন কৰিব নোৱাৰে। বাতৰিত সংলগ্ন দৃশ্যাৱলীয়ে পুংখানুপুংখ অনুসন্ধান সম্প্রচাৰৰ সময় নিদিয়ে। দৃশ্যাৱলীৰ বাবেই উপযুক্তভাৱে নেপথ্য তথ্যও বহুসময়ত যোগান ধৰিব পৰা নাযায়। তদুপৰি, টিভিৰ দ্বাৰা সম্প্রচাৰ কৰা 'নিউজ বুলেটিন' এখনে বহুতো বিশেষ অথবা আকর্ষণীয় বাতৰি পৰিৱেশন কৰিব নোৱাৰিবও পাৰে। কাৰণ, তেনে ঘটনা ঘটাৰ সময়ত (উদাহৰণস্বৰূপে সামৰিক অভ্যুত্থান, বহিৰাক্রমণ, যুদ্ধ নাইবা এখন কেবিনেট বৈঠকৰ বাতৰি আদি) হয়তো কেমেৰা লৈ ঘটনাস্থলীত তৎমুহূর্ততে উপস্থিত হোৱা সম্ভৱ নহয়।



ছাউণ্ড বাইট (Sound Bite) ঃ ছাউণ্ড বাইট হৈছে এটা সংক্ষিপ্ত ভিডিঅ' টে'প ৰেক'ৰ্ড কৰা উক্তি বা চমু সাক্ষাৎকাৰ।

আনহাতে জাক-জমকতাৰে উদ্‌যাপন কৰা বিশেষ অনুষ্ঠানসমূহ, যেনে— ৰাজ্যাভিষেক, শপত গ্রহণ অনুষ্ঠান, বিশিষ্ট ব্যক্তিৰ আগমন-প্রস্থান, চুক্তি স্বাক্ষৰ, কুচ-কাৱাজ, উদ্বোধনী অনুষ্ঠান আৰু ক্রীড়া সমাৰোহ আদি উপস্থাপন কৰিবলৈ টিভি নিউজ বুলেটিনখনেই হ'ল আদর্শ মাধ্যম। কিন্তু দুর্ভাগ্যজনক কথাটো হ'ল ৰূঢ়, বাস্তৱ বাতৰি (Hardcore) শিতানত এনে ঘটনাবোৰক স্থান দিয়া নহয়। যদিও এনে ঘটনা 'লাইভ' সম্প্রচাৰ কৰা হয়, তথাপিও এইবোৰে দৈনিক বাতৰিৰ শিৰোনাম দখল কৰা অজস্র ঘটনাৰ ভিতৰত নিচেই ক্ষুদ্র অংশ এটাহে দখল কৰিবলৈ সমর্থ হয়।

ভাৰতৰ নিউজ বুলেটিন সম্প্রচাৰৰ মানক (Standard) শৈলীটো ৰেডিঅ' কৌশলৰ পৰা আহৰণ কৰা হৈছে। ৰেডিঅ'ত পঢ়াৰ দৰেই টিভিতো কাগজত লিখা (অথবা কার্ডত, অথবা এটা বৈদ্যুতিক 'টেলিপ্র'ম্প্টাৰ'ৰ সহায়ত) বাতৰিবোৰ আনুষ্ঠানিক ধৰণে পঢ়া হয়। মাজে মাজে স্থিৰচিত্র, মানচিত্র অথবা গতিশীল দৃশ্য দেখুওৱা হয়। বেছিভাগ সময়তেই হাতত থকা দৃশ্যাৱলীৰ ওপৰত ভিত্তি কৰিহে বাতৰিবোৰ সজাই লোৱা হয়। 'ই.এন.জি.' (Electronic News Gathering) পদ্ধতিৰ উদ্ভাৱন আৰু শেহতীয়া কম্পিউটাৰকৃত সা-সঁজুলিবোৰৰ বাবে বাতৰিৰ মাজত প্রদর্শিত দৃশ্যাৱলীৰ সংখ্যা বৃদ্ধি পাইছে। সম্প্রতি দূৰদর্শনৰ চেনেলসমূহকে আদি কৰি আন বহুতো ছেটেলাইট চেনেলৰ 'নিউজ বুলেটিন'বোৰে বিগত কেইবছৰমানৰ ভিতৰত 'মেগাজিন' (আলোচনীসুলভ) অনুষ্ঠানৰ ৰূপ ধা�ৰণ কৰিছে।

'নিউজ বুলেটিন', সাধাৰণ 'নিউজ মেগাজিন' আৰু বিভিন্ন ৰাজহুৱা প্রসংগৰ 'পেনেল' আলোচনা (Panel Discussion) আদি হ'ল দূৰদর্শনে সম্প্রচাৰ কৰি থকা কেইটামান জনপ্রিয় সংবাদকেন্দ্রিক অনুষ্ঠান। ৰাষ্ট্রীয় নে'টৱর্কৰ দ্বাৰা সম্প্রচাৰিত বেছিভাগ অনুষ্ঠানৰ দৰে এই অনুষ্ঠানবোৰৰো ভাষা মাধ্যম হ'ল হিন্দী অথবা ইংৰাজী। এনে অনুষ্ঠানৰ মাজত স্লাইড, ফিল্ম ক্লিপছ্, মানচিত্র, বিভিন্ন ৰেখাচিত্র, তালিকা তথা অন্য দর্শনসাধ্য সমল প্রদর্শন কৰা হয়।

টিভি সংবাদ প্রতিবেদনৰ কেইটামান বৈশিষ্ট্য—

- টিভি সংবাদৰ কাহিনী সংক্ষিপ্ত হয়। সাধাৰণতে সময়ৰ জোখত ইয়াৰ দৈর্ঘ্য ৯০ৰ পৰা ১২০ ছেকেণ্ড হ'ব লাগে। অৱশ্যে কেতিয়াবা কোনো বিৰল ঘটনাৰ ক্ষেত্রত ঘটনাটোৰ গুৰুত্ব অনুসৰি সময় বৃদ্ধি কৰিব পৰা যায়।
- যিহেতু টিভি সংবাদ প্রত্যক্ষ কৰিব পাৰি সেয়েহে সম্প্রচাৰিত দৃশ্যাৱলীয়েও বহুত অর্থ বহন কৰিব লাগে।

- 'নিউজ বুলেটিন' এখন সাধাৰণতে সংগীত আৰু দৃশ্যাংশৰ মিশ্ৰণেৰে নাটকীয়ভাৱে আৰম্ভ কৰা হয়। প্ৰতিটো চেনেলৰে নিজ পৰিচয় বহনকাৰী বিশেষ 'ছিগনেছাৰ মিউজিক' (Signature Music) আৰু নিজস্ব শৈলী আছে। এইবোৰৰ দ্বাৰাই দৰ্শকে 'নিউজ বুলেটিন'বোৰ চিনাক্ত কৰে।
- বেছিভাগ 'নিউজ বুলেটিন'এ চেনেলটোৰ দৰ্শকক ধৰি ৰাখিবলৈ তথা প্ৰতিবেদনৰ আৰম্ভণি কৰাৰ আগতে বাতৰিৰ শিৰোনাম (Headlines) সম্প্ৰচাৰ কৰে। অতি জৰুৰী ঘটনাবোৰে মুখ্য শিৰোনাম দখল কৰে।
- টেলিভিছন সংবাদে আকৰ্ষণীয় দৃশ্যমান সমল তথা বিভিন্ন ধৰণৰ 'শ্বট'ক (যেনে— প্ৰতিস্থাপক শ্বট (Establishing Shots), ক্লু'জ আপ শ্বট) যথেষ্ট গুৰুত্ব দিয়ে।
- টেলিভিছন সংবাদৰ এটা প্ৰধান গুৰুত্বপূৰ্ণ বিষয় হ'ল সম্পাদনা। কাৰণ সম্পাদনাৰ প্ৰক্ৰিয়াই এটা বাতৰিৰ প্ৰাসংগিকতা সম্পূৰ্ণ সলনি কৰি পেলাব পাৰে। টেলিভিছন সংবাদৰ সম্পাদনা সাধাৰণতে অতি উজু কৰি ৰখা হয়। কেৱল 'কাট-টু-কাট' (Cut to Cut) সম্পাদনা পদ্ধতিহে ব্যৱহাৰ কৰা হয়। কথাছবিত প্ৰয়োগ কৰা 'শ্লো' মোশ্যন' (Slow Motion), 'ব্লাৰিং' (Blurring), পুনৰ উল্লেখ আদি কৌশল এৰাই চলা হয়। সম্পাদনা কালত নিজ ইচ্ছামতে হৰণ-ভগন কৰাৰ সুযোগ পোৱা যায়। সম্পাদক গৰাকীয়ে সেয়েহে সদায় বৃত্তিগত সততা অক্ষুণ্ণ ৰাখিব লাগে। তেওঁ কোনো নীতি বিৰুদ্ধ কাৰ্যকলাপত লিপ্ত হ'ব নালাগে। টেলিভিছন সংবাদ এটা নিয়মমাফিক সম্পাদনা কৰা মানে হ'ল শ্বটবোৰ সুসংবদ্ধভাৱে সজোৱা যাতে মূল বাতৰিটোৰ সৈতে অপ্ৰাসংগিক হৈ নপৰে তথা বাস্তৱিকতে নঘটা ঘটনা এটা উপস্থাপন কৰা নহয় তালৈ লক্ষ্য ৰখা।
- টেলিভিছন সংবাদ সদায়েই পোনপটীয়া প্ৰকৃত সংবাদ হোৱাৰ বিপৰীতে কিছু পক্ষপাত-মূলক হয়। প্ৰতিটো টেলিভিছন সংবাদ অথবা বিৱৰণীতে একোটা দৃষ্টিভংগী থাকে। যদিও উৎকৃষ্ট সাংবাদিকতাৰ বাবে যথাৰ্থতা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য বুলি কোৱা হয়, তথাপিও টেলিভিছনে প্ৰায়েই 'নায়ক' আৰু 'খলনায়ক'ৰ সৃষ্টি কৰে। উদাহৰণস্বৰূপে বিভিন্ন চৰকাৰী বিভাগ আৰু সাধাৰণ নাগৰিকৰ ভূমিকা দুটালৈ চাব পাৰি।
- টেলিভিছন সংবাদ দৃশ্য-শ্ৰব্য সুবিধাযুক্ত হোৱা হেতুকে ইয়াত বিভিন্ন ব্যক্তি তথা ব্যক্তিত্বক প্ৰাধান্য দিয়া হয়। মুখপাত্ৰসকল, এংকৰ তথা বাতৰি পঢ়োঁতাকে আদি কৰি পৰ্দাত বিভিন্নজনে মুখ দেখুৱায়। সেয়েহে পৰ্দাত দেখা দিয়া লোকসকল প্ৰখৰ ব্যক্তিত্বসম্পন্ন আৰু আকৰ্ষণীয় চেহেৰাৰ হোৱা উচিত। এনে হ'লেহে দৰ্শকে অইন চেনেলৰ অনুষ্ঠান চোৱাৰ আগ্ৰহ পৰিহাৰ কৰাৰ সম্ভাৱনা থাকে। তদুপৰি এগৰাকী বাতৰি পঢ়োঁতা আৰু এগৰাকী দৰ্শকৰ মাজত গঢ়ি উঠা সম্পৰ্ক প্ৰায়েই আবেগিক হয়। বাতৰিকাকতৰ লেখনিৰ জৰিয়তে কেৱল পৰম্পৰাগত সম্পৰ্কহে গঢ়ি উঠা সম্ভৱ।
- টেলিভিছন সংবাদৰ আন এটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল 'ছাউণ্ড বাইট' অৰ্থাৎ শব্দাংশৰ সংযোজন। মনোযোগ আকৰ্ষণকাৰী আৰু আগ্ৰহ সৃষ্টিকাৰী 'ছাউণ্ড বাইট'এ সংবাদ




লাইভ টেলিকাষ্ট (Live Telecast) ঃ প্ৰকৃত কাৰ্য বা অনুষ্ঠানটো চলি থকা সময়তে তাৰ দৃশ্যগ্ৰহণ কৰি তাক শ্ৰোতা-দৰ্শকৰ টেলিভিছন ছেটলৈ প্ৰেৰণ কৰা। গুৰুত্বপূৰ্ণ খেল-ধেমালিৰ অনুষ্ঠান, বাতৰি বুলেটিন ইত্যাদি, সাধাৰণতে চলি থকা (Live) সময়তে সম্প্ৰচাৰিত হয়।

ই.এন.জি (ENG) ঃ বাতৰি সংগ্ৰহ যি ভিডিঅ' টে'প বা ডিজিটেল সা-সৰঞ্জামৰ ওপৰত নিৰ্ভৰশীল। এইটো পূৰ্বৱৰ্তী সময়ৰ ফিল্ম পৰম্পৰাগত কেমেৰাৰে সাংবাদিকসকলে টেলিভিছনৰ বাবে বাতৰি সংগ্ৰহ কৰা বা ENGৰ তুলনাত পৃথক।

অধিক জীৱন্ত আৰু সার্থক কৰি তোলে। নেপথ্যৰ 'ছাউণ্ড বাইট'এ পৰিস্থিতি এটাক অধিক যথার্থভাৱে ফুটাই তোলাত সহায় কৰে। টিভি সংবাদৰ 'ছাউণ্ডবাইট' একোটা সাধাৰণতে প্ৰায় ১০ ছেকেণ্ডমান দীঘলীয়া হয়।

- টেলিভিছন সংবাদ পৰিৱেশন কৰোতে কথোপকথনশৈলী গ্ৰহণ কৰা হয় যাতে দর্শকে অনতিপলমে সংবাদ এটা বুজি পায়।

টেলিভিছন সংবাদৰ এটা উল্লেখনীয় উপাদান হ'ল 'পীছ-টু-কেমেৰা' (PTC)। দৃশ্য দেখুৱাব নোৱাৰা বিষয় এটা ব্যাখ্যা কৰিবলৈ সহজ কৰি তুলিবলৈ অথবা বিৱৰণী দিবলৈ সাংবাদিকে কেমেৰাৰ সন্মুখত কথা কয়। ইয়াৰ ফলত সাংবাদিকজনে দর্শকৰ সৈতে পোনপটীয়াকৈ কথা পতা সদৃশ প্ৰভাৱ পৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ এটা টিভি সংবাদৰ সাধাৰণ সময়সীমা কিমান?

.....

প্ৰশ্ন নং ৭ ঃ 'ছিগনেছাৰ টিউন' কাক বোলে আৰু ই দর্শকক কিদৰে সহায় আগবঢ়ায়?

.....

.....

.....

.....

প্ৰশ্ন নং ৮ ঃ এগৰাকী সাংবাদিকে কিয় বৃত্তিগত সততা অক্ষুণ্ণ ৰাখিব লাগে?

.....

.....

.....

প্ৰশ্ন নং ৯ ঃ 'পীছ-টু-কেমেৰা' (PTC) মানে কি?

.....

.....

.....

প্ৰশ্ন নং ১০ ঃ ই.এন.জি. (ENG) মানে কি?

.....

.....

.....

১০.৫ 'টিভি নিউজ বুলেটিন'ৰ গাঁথনি (STRUCTURE OF TV NEWS)

এটা টেলিভিছন সংবাদ অনুষ্ঠান সমমান বিশিষ্টভাৱে (এখন বুলেটিন কেইবাটাও অনুক্রমত সজোৱা হয়) আৰু একে সময়তে বহুখলপীয়াভাৱে সমৃদ্ধ কৰা হয়। হ্রস্ব আন্তঃক্রিয়া (Narrower Interactions) (উদাহৰণস্বৰূপে এগৰাকী বাতৰি পঢ়োঁতা আৰু এগৰাকী সংবাদদাতাৰ মাজত হোৱা কথা-বতৰা, সংবাদদাতাই গ্রহণ কৰা তৃতীয় পক্ষৰ সাক্ষাৎকাৰ), বিভিন্ন বিৱৰণ সংৰচনা, ভাৱ প্রকাশ তথা উপস্থাপনৰ বিভিন্ন পদ্ধতি আৰু অন্য বহুতো উপাদানেৰে 'নিউজ বুলেটিন' এখন প্রস্তুত কৰা হয়।

টেলিভিছন নিউজ বুলেটিন এখনত বহুতো ঘটনা সন্নিবিষ্ট হৈ থাকে। এই ঘটনাসমূহ পৃথিৱীত ঘটা বাস্তৱ ঘটনা, অনুষ্ঠান, সভা-সমিতি, বাদ-বিবাদ, দ্বন্দ্ব, বুজাপৰা আৰু সন্ধিৰ কাহিনী থাকে। কিন্তু এই কাহিনীবোৰ আমাৰ বোধগম্য হোৱাকৈ 'পেকেজ' সৃষ্টি কৰি আমাক দেখুৱাব লাগিব। কাহিনীবোৰক এনে ৰূপ দিব লাগিব যাতে দর্শকে সেইবোৰ বুজি পায়। এই ৰূপ প্রদান সার্থক কৰি তুলিবলৈ অনুষ্ঠান নির্মাতাসকলে আকর্ষণীয় আৰু যুক্তিসংগত বিৱৰণী যুগুত কৰিব লাগিব। এখন নিউজ বুলেটিনত সম্প্রচাৰিত হোৱা অধিকাংশ বাতৰিৰে গাঁথনি সৰল। আনকি বোলছবি বিষয়ক প্রতিবেদন অথবা সাক্ষাৎকাৰ আদিৰ দৰে একাধিক উপাদান সমৃদ্ধ বাতৰিও পার্যমানে সৰল কৰি তোলাৰ প্রয়াস কৰা হয়।

- বাতৰিবোৰৰ একোটা 'পৰিচয়' (Introduction) থাকে। পৰিচয়বোৰে ইংৰাজী 'ডব্লিউ' (W) আখৰেৰে আৰম্ভ হোৱা কেইটামান শব্দই সৃষ্টি কৰা প্রশ্নৰ উত্তৰ দিয়ে। সেই প্রশ্নকেইটা হ'ল— কোন (Who), কি (What), ক'ত (Where), কেতিয়া (When) আৰু কিয় (Why)। ই ঘটনা এটা 'কেনেকৈ' (How) ঘটিল সেই প্রশ্নৰ অৱতাৰণা কৰিব পাৰে। কিন্তু যদি পৰিচয়ৰ পর্বতেই এই সকলোবোৰ প্রশ্নৰ উত্তৰ বিস্তৃতভাৱে লাভ কৰা যায় তেন্তে ঘটনা এটাৰ দীঘলীয়া বর্ণনা অপ্রয়োজনীয়। সেয়েহে বাতৰি এটাৰ 'পৰিচয়' অংশটোৰে কিছুমান প্রশ্নৰ উত্তৰ নিদিয়াকৈ আগবাঢ়ি যাব পাৰে। লগতে ই আন কিছুমান আনুষংগিক প্রশ্ন উত্থাপন কৰিব পাৰে অথবা অনুসন্ধানৰ প্রয়োজনীয়তা থকা আন কিছুমান বিশেষ সমস্যাৰ কথা বর্ণনা কৰিব পাৰে। কেতিয়াবা কোনো বাতৰিৰ 'পৰিচয়' অংশ অত্যাধুনিক হ'ব পাৰে। ই বাতৰিটোৰ 'কোন' (Who) তথা 'ক'ত' (Where) প্রশ্ন দুটাৰ স্পষ্ট উত্তৰ দিব পাৰে। কিন্তু 'কিয়' (Why), 'কেনেকৈ' (How) আৰু 'কি'ৰ (What) উত্তৰ প্রধান প্রতিবেদনখনৰ পৰাহে গম পোৱাৰ অৱকাশ থাকে।
- তাৰ পাছত আহে বাতৰি এটাৰ 'প্রধান অংশ'টো (Main Body)। এই অংশটোৰে উত্থাপিত আটাইবোৰ প্রশ্নৰ উত্তৰ দিয়ে। উত্তৰবোৰ বিস্তৃতভাৱে (Elaborated) দিয়াৰ প্রয়াস কৰা হয়। এই বিস্তৃত প্রতিবেদনৰ এটা অংশ জুৰি থাকে দৃশ্য-শ্রব্য ছবিৰে যাতে বাতৰিটোৰ যথার্থতা সম্পর্কে দর্শকক পতিয়ন নিয়াব পৰা যায়।
- বাতৰিৰ শেষৰ অংশটো হ'ল 'সামৰণি' (Conclusion)। এই অংশটোত বাতৰি সামৰা হয়। আধৰুৱা, অসমাপ্ত কথাবোৰক সুবিন্যস্তভাৱে সজোৱা হয়। সকলো সামৰণিকে

অৱশ্যে সুবিন্যস্ত আখ্যা দিব পৰা নাযায়। কিছুমান সামৰণিয়ে সমস্যা এটাৰ সমাধান যে ভৱিষ্যতেহে সম্ভৱ হ'ব তাৰ ইংগিত প্ৰদান কৰিব পাৰে।

এখন টেলিভিছন নিউজ বুলেটিনৰ গাঁথনিটোত থকা স্থায়ীত্ব (Constancy), পূৰ্বানুমেয়তা (Predictability) আৰু সাৰ্বজনীনতা (Universality) সহজেই চকুত পৰে। ইয়াৰ সংৰচনাত্মক আৰু নিৰ্দিষ্টকাল সম্বন্ধীয় বিন্যাস বহুতো কাৰকে পূৰ্বনিৰ্ধাৰিত কৰে। তেনে কাৰক কেইটামান হ'ল বুলেটিন এখনৰ নিয়মীয়া সম্প্ৰচাৰ (দৈনিক অনুষ্ঠান, চেনেলটোৰ 'প্ৰাইম টাইম'ত সুৰক্ষিত স্থিতি, আপেক্ষিকভাৱে সুস্থিৰ সময় সীমা) আৰু বিশেষ কিছুমান ঘটনাৰ শিতান (Categories of Events), যেনে— মানৱীয় স্বাৰ্থজড়িত, ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক সমস্যা তথা ক্ৰীড়া ইত্যাদিৰ প্ৰতি থকা ইয়াৰ মনোযোগ।



মুখ্য বাতৰি (Lead Story)ঃ এখন বুলেটিনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বাতৰি বা ষ্ট'ৰি।

সংবাদ সম্প্ৰচাৰ প্ৰক্ৰিয়াটো 'অ'পেনিং' (Opening) অৰ্থাৎ আৰম্ভণি আৰু 'হেডলাইন ছিকুৱেন্স' (Headline Sequence) অৰ্থাৎ মুখ্য বাতৰি ক্ৰমেৰে আৰম্ভ হয়। তাৰ পাছত প্ৰক্ৰিয়াটোৱে এটা বাতৰিৰ পৰিসৰত প্ৰৱেশ কৰে। বাতৰি একোটা বিভিন্ন বিভাগত অথবা এককভাৱে পৰিৱেশন কৰা হ'ব পাৰে। সংবাদ সম্প্ৰচাৰ প্ৰক্ৰিয়াটো মুখ্য বাতৰিবোৰৰ সাৰাংশ পঠন আৰু 'ক্লজিং ছিকুৱেন্স' (Closing Sequence) অৰ্থাৎ সামৰণি ক্ৰম অনুসৰি সমাপ্ত কৰা হয়।

সংবাদ প্ৰক্ৰিয়া এটাত প্ৰধান নিৰ্ণায়কৰ ভূমিকা গ্ৰহণ কৰা ধাৰণাটো হ'ল 'প্ৰসংগ সংগতি নীতি' (Principle of Relevance) আৰু ইয়াৰ প্ৰয়োগ। এই নীতি অনুসৰি গুৰুত্বপূৰ্ণ বাতৰিবোৰক অগ্ৰাধিকাৰ দিয়া হয়; তেনে বাতৰিবোৰ অইন বাতৰিতকৈ দীঘলীয়া, তেনে বাতৰিৰ ভিতৰৰ বহুকেইটাই শিৰোনাম দখল কৰে অথবা বাতৰি পঢ়োঁতাৰ সাৰাংশ হিচাপে স্থান দখল কৰে। ইয়াৰ বাহিৰেও 'বিষয় ক্ৰমসজ্জা' (Ordering of Items) আন নীতি-নিয়ম আৰু কাৰকৰ দ্বাৰা প্ৰভাৱিত হ'ব পাৰে। ইয়াৰ উদাহৰণ হ'ল— বৈদেশিক অথবা দেশীয়, বাতৰি বিষয়বস্তুৰ তাৎপৰ্য ইত্যাদি। বুলেটিন এখনত পোনপ্ৰথমে আৰু সৰ্বশেষত সম্প্ৰচাৰিত হ'বলগীয়া বাতৰি দুটাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। পোনপ্ৰথমে সম্প্ৰচাৰিত হ'বলগীয়া বাতৰিটো আটাইবোৰ 'মুখ্য বাতৰি ক্ৰম'তে (Headline Sequences) অন্তৰ্ভুক্ত কৰি ইয়াৰ গুৰুত্বৰ ওপৰত বিশেষ আলোকপাত কৰা হয়। বাতৰিটোৰ বৈশিষ্ট্যই প্ৰযোজকৰ প্ৰমূল্যসমূহো দৰ্শকৰ আগত স্পষ্ট কৰি তোলে। এদল ব্ৰিটিছ গৱেষক তথা সমীক্ষকৰ মতে নিউজ বুলেটিন এখনৰ সৰ্বশেষ বাতৰিটো কেতিয়াবাহে ঋণাত্মক অথবা উৎকণ্ঠাপূৰ্ণ হোৱা দেখা যায়। যদিও 'নিউজ আইটেম ব্লক' (New Item Block) আখ্যা দিয়া বুলেটিন এখনৰ কেন্দ্ৰীয় অংশটোত সম্প্ৰচাৰিত বাতৰিবোৰৰ বিষয়বস্তু তথা স্বৰূপত বৈচিত্ৰ্যতা থকাতো জৰুৰী, তথাপিও বুলেটিনখনৰ শেষভাগত সম্প্ৰচাৰিত ক্ৰীড়া, লঘু অনুষ্ঠান অথবা মানৱীয় স্বাৰ্থজড়িত সকাৰাত্মক (Positive) বাতৰিবোৰৰ শিতানত সম্প্ৰচাৰ কৰিবলৈ কিছুমান তথ্য জমা ৰখা হয়।

এখন দহ মিনিট নাইবা পোন্ধৰ মিনিট দৈর্ঘ্যৰ বুলেটিন (য'ত দুটা বিৰতি থাকে) সামৰাৰ আগতে মুখ্য বাতৰিবোৰ পুনৰ কোৱা হয়। বাতৰি সম্প্ৰচাৰিত হৈ থাকোতে টিভি চাবলৈ লোৱা

তথা কিবা কাৰণত মুখ্য বাতৰিবোৰ চাবলৈ নোপোৱা দৰ্শকৰ সুবিধাৰ্থে এনে কৰা হয়। ইয়াৰ জৰিয়তে গুৰুত্বপূৰ্ণ বাতৰিবোৰৰ সংক্ষিপ্ত পুনৰ দৰ্শনেৰে সৈতে সামৰণি (Recapitulate/ Recap) মৰা হয় অথবা দৰ্শক-শ্ৰোতাক বুলেটিন সম্প্ৰচাৰৰ সময় শেষ হোৱাৰ সংকেত দিয়া হয়।

বুলেটিন এখনৰ বিষয়বস্তু ক্ৰমানুসাৰে সজাবলৈ বিশেষ পটুতা তথা সম্পাদকীয় ক্ষমতা থকা প্ৰয়োজন। আমি মনত ৰাখিব লাগিব যে সামগ্ৰিকভাৱে বুলেটিন এখনৰ ওজন ইয়াৰ দ্বাৰা সম্প্ৰচাৰিত হ'বলগীয়া বাতৰিৰ সংখ্যাতকৈ বেছি। সেয়েহে সম্প্ৰচাৰিত হ'বলগীয়া বাতৰিবোৰৰ মাজত যথা সম্ভৱ সংহতি থকা উচিত। উদাহৰণস্বৰূপে, কোনো গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় অথবা আন্তঃৰাষ্ট্ৰীয় ঘটনা সন্দৰ্ভত সম্প্ৰচাৰিত হ'বলগীয়া আটাইবোৰ বাতৰি যিমান পাৰি একেলগে সজাব লাগে। বাতৰিবোৰ একত্ৰিত কৰি ইয়াক এটা সংহত ৰূপ দিব লাগে যাতে বাতৰিবোৰৰ পুনৰাবৃত্তি নঘটে। এই কামটো এনেদৰে কৰিব লাগে যাতে বাতৰিটোৰ মুখ্যাংশ সম্প্ৰচাৰিত হোৱাৰ পাছত আনুষংগিক প্ৰতিক্ৰিয়া, প্ৰতিফলন, মতামত তথা আন আনুষংগিক বাতৰি অথবা পৰিঘটনা আদি যুক্তিযুক্ত আৰু আকৰ্ষণীয় শৈলীত সম্প্ৰচাৰিত কৰিব পৰা যায়।

এটা উদাহৰণ লোৱা যাওক। ভাৰতে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে খেলি তিনিখন টেষ্ট মেট্ছৰ শৃংখলা এটাৰ শেষৰ মেট্ছখনত জয় লাভ কৰিলে। ভাৰত ঘৰুৱা শৃংখলাটোত ২-১ ব্যৱধানত বিজয়ী হ'ল। ভাৰতে সম্পূৰ্ণ ২৪ বছৰৰ পিচত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে টেষ্ট শৃংখলাত জয়লাভ কৰিলে। স্বাভাৱিকতে ভাৰতীয় সমৰ্থকসকল অতি আনন্দিত। এই বাতৰিটো বুলেটিন এখনৰ 'মুখ্য বাতৰি' (Lead Story) হ'ব পাৰে। বাতৰিটোত প্ৰয়োজনীয় পৰিসাংখ্যিক তথ্য আৰু স্ক'ৰসমূহ অন্তৰ্ভুক্ত কৰা হ'ব। 'মেন অফ দ্যা মেট্চ' আৰু 'মেন অফ দ্যা ছিৰিজ' কোন হ'ল তাৰ উল্লেখ থাকিব। ভাৰতে যে সুদীৰ্ঘ ২৪ বছৰৰ মূৰত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে শৃংখলা জয় কৰিছে সেই কথাটোও উল্লেখ কৰিব পাৰি। এই বাতৰিটোৰ পাছত আন কেইবাটাও একেটা বিষয়ৰে বাতৰি সম্প্ৰচাৰিত হ'ব। তেনে বাতৰিবোৰক ক্ৰিকেট বিশেষজ্ঞৰ মন্তব্য, সমৰ্থকৰ প্ৰতিক্ৰিয়া, ক্ৰিকেটাৰৰ পৰিয়ালৰ সদস্যৰ নিজ নিজ গৃহৰ পৰা প্ৰকাশ কৰা অভিমত ইত্যাদি থাকিব। এই আটাইবোৰ সম্প্ৰচাৰিত হোৱাৰ পাছত মেট্ছখনৰ এক সমীক্ষা সম্প্ৰচাৰ কৰা হ'ব পাৰে। 'এংকৰ' এগৰাকীয়ে সমীক্ষাটোত কোনো ক্ৰিকেট বিশেষজ্ঞ এগৰাকীৰ সৈতে এই বিজয়ৰ বৈশিষ্ট্য অথবা খেলখনৰ নিৰ্ণায়ক মুহূৰ্তকেইটাৰ (Turning Point) বিষয়ে বহলাই আলোচনা কৰিব। শেষত 'এংকৰ' গৰাকীয়ে ভাৰতৰ এই ঐতিহাসিক শৃংখলা বিজয়ৰ পিছত খেলপথাৰৰ ভিতৰ আৰু বাহিৰত সৃষ্টি হোৱা পৰিস্থিতিৰ বৰ্ণনা কৰি অনুষ্ঠান সামৰিব।

বাতৰিকাকত এখনত এই আটাইবোৰ বাতৰিয়েই সুকীয়া সুকীয়াকৈ ছপা কৰা হ'ব। প্ৰত্যেকৰে নিজা শিৰোনামা থাকিব। ইয়াৰে কেইটামান বাতৰি মূল বাতৰিটোৰ সৈতে ছপা কৰা হ'ব যদিও আন দুটামান বেলেগকৈ ভিন্ ভিন্ পৃষ্ঠাত ছপোৱা হ'ব পাৰে। কিন্তু টেলিভিছনৰ (অথবা ৰেডিঅ'ৰ) ক্ষেত্ৰত এনে কৰাটো সম্ভৱ নহয়। টেলিভিছনত আটাইবোৰ একে ঘটনাৰ লগত জড়িত বাতৰি একত্ৰিত কৰি একোটা 'ৰাউণ্ড-আপ' (Round-up) ৰূপ দিয়া হয়। অপ্ৰয়োজনীয় পুনৰাবৃত্তি

এৰাই চলা হয় আৰু কম গুৰুত্বপূৰ্ণ বাতৰিবোৰ কৰ্তন কৰি সংক্ষিপ্ত ৰূপ দিয়া হয়। এনে কৰাৰ ফলত বাতৰি এটা অযথা দীঘলীয়া হোৱাৰ পৰা ৰক্ষা পৰে। তথাপিও কিন্তু বাতৰিটো যিমানখিনি পাৰি বিস্তৃত ৰূপত পৰিৱেশন কৰা হয়।

যেতিয়া কোনো গুৰুত্বপূৰ্ণ বাতৰি পৰিৱেশন কৰিবলগীয়া হয়, তেতিয়া এই সজ্জাশৈলী (Arrangement) ব্যৱহাৰ কৰা হয়। একে ধৰণৰ বাতৰিবোৰ একত্ৰ কৰা হয়। কিন্তু কামটো কৰোঁতে সাৱধানতা অৱলম্বন কৰা উচিত। কৰোঁতাজনে প্ৰত্যেকটো ব্যক্তিগত বৈশিষ্ট্য বুজি পাব লাগিব। তেওঁ বাতৰিবোৰ যদি লঘু ধৰণে সংযোগ থকা বিধৰ হয় সেইবোৰ এক দলভুক্ত কৰিব পাৰিবনে নাই তালৈ লক্ষ্য ৰাখিব লাগিব।

ওপৰৰ আলোচনাৰ পৰা ক'ব পাৰি যে টেলিভিছন সংবাদে সমাজৰ বাস্তবতাৰ প্ৰতিনিধিত্ব নকৰে। ই কেৱল ইয়াৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক কৰ্মপৰিধিৰ মাজত প্ৰমূল্যৰ সংৰচনা (Structure of Values), সম্পৰ্ক তথা সাংস্কৃতিক চেতনা (Cultural Perception) প্ৰতিফলিত কৰে। নিউজ বুলেটিনৰ প্ৰযোজকসকল বিশেষ বিশেষ বিষয়বস্তুৰ গোটক লৈ চিন্তাবিভোৰ হৈ থাকে। তেওঁলোকৰ বুলেটিনৰ গাঁথনিত এই চিন্তাৰ প্ৰভাৱ স্পষ্টকৈ দেখা পোৱা যায়। সাধাৰণ দৃষ্টিৰে এওঁলোকক বিভিন্ন ভাগত বিভক্ত কৰিব পাৰি।

প্ৰথম ভাগটোৱে 'দুৰ্ঘটনা আৰু দ্বন্দ্ব' (Accident and Conflicts) বিষয়ক বাতৰিবোৰত গুৰুত্ব দিয়ে। এনে বাতৰিৰ ভিতৰত দুৰ্ঘটনা, দুৰ্যোগ, ধৰ্মঘট, প্ৰতিবাদী কাৰ্যসূচী প্ৰদৰ্শন, সন্ত্ৰাসবাদ আৰু নানা সমস্যাৰ উল্লেখ থাকিব পাৰে। দ্বিতীয় ভাগটোৱে 'ৰাজনীতি'ত (Politics) গুৰুত্ব (ৰাজনৈতিক আৰু কূটনৈতিক বিষয়) দিয়ে। তৃতীয় ভাগটোৰ চিন্তাক্ষেত্ৰ 'অৰ্থনৈতিক বিষয়' (Economic Matters)। চতুৰ্থ ভাগটোৰ প্ৰিয় হ'ল 'সামাজিক বিষয়' (Social Matters) আৰু ন্যায়িক গোচৰ (Legal Cases), প্ৰতীকধৰ্মী কাৰ্যকলাপ (Symbolic Activities), মানৱীয় স্বাৰ্থজড়িত বাতৰি (Human Interest Stories)। পঞ্চম ভাগটোৰ ক্ষেত্ৰ হ'ল সংস্কৃতি (Culture)। ষষ্ঠ তথা অন্তিম ভাগৰ চিন্তাৰ বিষয়বস্তু হ'ল ক্ৰীড়া সংবাদ (Sports News)।

এই আটাইবোৰ বিষয়বস্তু সম্পৰ্কীয় বাতৰি পৰিৱেশন কৰি দৰ্শকৰ সৈতে সংযোগ স্থাপন কৰা হয়। টেলিভিছন সংবাদ প্ৰায়েই অতি ব্যক্তিগতকৃত (Very Personalized) আৰু ব্যক্তিকেন্দ্ৰিক বুলি অভিহিত কৰা হয়। ইয়াৰ অৰ্থ হ'ল সাধাৰণ সমস্যাজনক ঘটনা তথা বিষয়বোৰ টেলিভিছন সংবাদত কোনো এজন ব্যক্তিৰ ব্যক্তিগত কাহিনীৰ ৰূপত উপস্থাপন কৰা হয়। 'টেলিভিছন সংবাদৰ কথনশৈলীৰ মনোযোগ আকৰ্ষণাৰ্থে অত্যন্ত চাঞ্চল্যকৰণ আৰু অতিনাটকীয়কৰণ'ৰ (Sensationalisation and Dramatization in the Discourse of Television News) প্ৰৱণতাটো তথা কোনো মনো�ৰঞ্জন প্ৰদানকাৰী চৰিত্ৰৰ একাধিক বাতৰি অন্তৰ্ভুক্তকৰণৰ প্ৰথাটো কেৱল ভাৰতীয় টিভি মাধ্যমৰে প্ৰয়োগ পৰিঘটনা নহয়। বজাৰ অৰ্থনীতি, প্ৰচাৰ মাধ্যমৰ বাণিজ্যিকৰণ ইত্যাদি কাৰকে টেলিভিছন সংবাদৰ কথনশৈলী, বিষয়সূচী তথা উপস্থাপন প্ৰকৃতিৰ ওপৰত এইদৰেই প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হয়।

টেলিভিছন সংবাদৰ বিষয়বস্তুই সংবাদ বাচনিৰ একোটা বিশেষ আৰ্হি প্ৰদৰ্শন কৰে। এটা

বিশেষ ঘটনাক 'সংবাদ হ'বৰ যোগ্য' (Newsworthy) বুলি গ্ৰহণ কৰা প্ৰক্ৰিয়াটো কিছুমান বিশেষ নিৰ্ণায়ক মানৰ (Criteria) দ্বাৰা পৰিচালিত হয়। 'গলটাং এণ্ড ৰুজ'এ (Galtung & Ruge) (১৯৬৫ চন) ইয়াক 'সংবাদ প্ৰমূল্য' (News Values) বুলি আখ্যা দিছিল। এই সংজ্ঞাটো পিছত ফাওলাৰেও (Fowler) বৰ্ণনা (১৯৯১ চন) কৰিছে। 'সংবাদ প্ৰমূল্য'ই বাতৰি নিৰ্বাচনৰ ক্ষেত্ৰত সাংগঠনিক, প্ৰকাৰ সম্পৰ্কীয় (Genre-Related) তথা সামাজিক-সাংস্কৃতিক কাৰকসমূহৰ প্ৰভাৱ প্ৰতিফলিত কৰে। এনে কাৰকবোৰক লেখকৰ মতে '...আন্তঃ আত্মপ্ৰকাশক মানসিক বিভাগ' (...Intersubjective Mental Categories) বুলি গণ্য কৰিব (ফাওলাৰ/Fowler ১৯৯১ : ১৭) পাৰি। ইংগিতৰ দ্বাৰা অৰ্থ সূচোৱা কাৰ্য অথবা কৌশলৰ (Semiotic Means) প্ৰেক্ষাপটত ই তৃতীয় ক্ৰমৰ ইংগিত (Third Order Signs)। লেখকে এই প্ৰমূল্যবোৰক বাৰটা শিৰোনাম আৰু বিশেষ নামকৰণ কৰিছে ঃ

- পৌণঃপৌণিকতা কাল বিৰাম (Frequency)
- আৰম্ভণি (Threshold)
- নিৰংকুশ প্ৰৱলতা (Absolute Intensity)
- প্ৰাবল্য বৃদ্ধি (Intensity Increase)
- অদ্ব্যৰ্থক (Unambiguity)
- অৰ্থবহতা (Meaningfulness)
- সাংস্কৃতিক নৈকট্য (Cultural Proximity)
- প্ৰাসংগিকতা (Relevance)
- সামঞ্জস্য (Consonance)
- পূৰ্বানুমেয়তা (Predictability)
- চাহিদা (Demand)
- অপ্ৰত্যাশিত (Unexpectedness)
- অনিশ্চয়তা (Unpredictability)
- দুষ্প্ৰাপ্যতা (Scarcity)
- নিৰৱচ্ছিন্নতা (Continuity)
- সুগম গাঁথনি (Composition)
- বাছকবনীয়া দেশৰ উল্লেখ (Reference to Elite Nations)
- ক্ষমতাশালী ব্যক্তিৰ উল্লেখ (Reference to Elite People)
- বিশেষ ব্যক্তিৰ উল্লেখ (Reference to Persons)
- কোনো নেতিবাচক বিষয়ৰ উল্লেখ (Reference to Somthing Negative)

'পৌণঃপৌণিকতা' (Frequency) কাৰকটোৱে কোনো এটা ঘটনা ঘটাৰ ২৪ ঘণ্টাৰ ভিতৰত সংবাদ পৰিৱেশন কৰাৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰে। 'আৰম্ভণি' (Threshold) কাৰকটোৱে ঘটনাৰ আকাৰ (বৃহৎ পৰিসৰ, মুখ্য ঘটনা) বিবেচনা কৰে। 'অদ্বৰ্থক' (Unambiguity)

কাৰকে ঘটনা এটাই ইয়াৰ নির্বাচন সুনিশ্চিত কৰে। ভৌগোলিক, ঐতিহাসিক, সাংস্কৃতিক নৈকট্যই ঘটনা এটাৰ 'অর্থবহতা' (Meaningfulness)ক প্রভাৱিত কৰে। 'সামঞ্জস্য' (Consonance)ই মানুহে কি ঘটাটো আশা কৰে অথবা বিচাৰে সেয়া প্রতিফলিত কৰে। 'অপ্রত্যাশিত' ঘটনা এটা 'সংবাদ'ৰূপে নির্বাচিত হোৱাৰ সম্ভাৱনা প্রবল। অগ্রৱর্তী বুলেটিনত স্থান লাভ কৰা ঘটনা এটাক 'নিৰৱচ্ছিন্নতা' (Continuity) কাৰকটোৱে অবিৰত সম্প্রচাৰৰ সুযোগ প্রদান কৰে। এখন বুলেটিনৰ 'সুগম গাঁথনি'টোৱে (Composition) সামগ্রিক বুলেটিনখনৰ অংশ একক বাতৰি এটাৰ 'সংবাদ হোৱাৰ যোগ্যতা' নির্ধাৰণ কৰে। বাছকৰনীয়া দেশ আৰু ক্ষমতাশালী ব্যক্তিৰ উল্লেখে প্রভাৱশালী তথা জনপ্রিয় বিষয়ত প্রচাৰ মাধ্যমৰ আগ্রহৰ কথাকে সূচায়। বিশেষ ব্যক্তিৰ উল্লেখে ব্যক্তি এগৰাকীৰ অভিজ্ঞতা আৰু ভাগ্যৰ সৈতে পৰিচিত হোৱাৰ সুযোগ দিয়ে। নেতিবাচক ঘটনা এটাই ইতিবাচক ঘটনা এটাতকৈ অধিক লোকৰ দৃষ্টি আকর্ষণ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১১ ঃ এটা টেলিভিছন সংবাদৰ প্রধান অংশ তিনিটা কি কি?

.....

.....

.....

.....

.....

.....

.....

.....

.....

প্রশ্ন নং ১২ ঃ বাতৰিৰ পৰিচয়ত অন্তর্ভুক্ত পাঁচটা ডব্লিউ (W) কি কি?

.....

প্রশ্ন নং ১৩ ঃ এটা সংবাদ কাহিনীৰ ক্ষেত্রত দৃশ্যসমূহে কি ভূমিকা পালন কৰে?

.....

.....

.....



চিন্তা-চর্চা কৰক ১০.১

ক) 'এনডিটিভি টুৱেণ্টি ফ'ৰ ছেভেন'ত (NDTV 24x7) এখন নিউজ বুলেটিন চাওক। বুলেটিনখনৰ ভিন্ ভিন্ অংশ চিনাক্ত কৰক।

.....

.....

.....

খ) বুলেটিনখনত কি কি বিষয় সন্নিবিষ্ট কৰা হৈছে আৰু বাতৰিবোৰ কি ক্ৰমত সজোৱা হৈছে সেয়া বিচাৰি উলিয়াওক।

.....

.....

.....

১০.৬ নিউজ পেকেজ (NEWS PACKAGE)

নিউজ পেকেজ (News Package) হৈছে টেলিভিছনৰ সংবাদ সম্প্ৰচাৰৰ মাজত দেখিবলৈ পোৱা এক প্ৰকাৰৰ কাহিনীকথন অনুষ্ঠান (Story Telling)। এটা পূৰ্ণাংগ নিউজ পেকেজত এটা পূৰ্বে প্ৰস্তুত কৰা কাহিনী থাকে। তাৰ লগতে থাকে সাংবাদিক, ভি ডি অ', চাউণ্ড বাইটছ্ (Sound Bites) আৰু ষ্টেণ্ডআপ (Standup)। পেকেজ হৈছে এটা স্বয়ং সম্পূৰ্ণ বাণী-বদ্ধ কৰা নিউজ ৰিপ'ৰ্ট (News Report) সাধাৰণতে, সংবাদ সম্প্ৰচাৰৰ সময়ত সংবাদ পঢ়োতা গৰাকীয়ে (News Anchor) স্থলতে নিউজ পেকেজটোৰ পৰিচয় প্ৰদান কৰে। তাৰ পিছত সেই পূৰ্বে প্ৰস্তুত কৰা কাহিনীটো (Pre-Recorded Story) প্ৰদৰ্শিত হয়।

কেৱল এটা ঘটনাৰ প্ৰতিবেদন পাঠ আৰু ভিডিঅ' কেমেৰাত কেইখনমান ছবি তোলাকে সংবাদ প্ৰযোজনা (News Production) নোবোলে। সংবাদটো সৰ্বতো প্ৰকাৰে আকৰ্ষক কৰিবলৈ অন্য কেতবোৰ উপাদানৰো প্ৰয়োজন। এটা সংবাদ প্ৰতিবেদনত সাক্ষাৎকাৰ, দৃশ্যাৱলী আৰু সাংবাদিক গৰাকীৰ কণ্ঠ থাকিব লাগে। এইবোৰৰ সমন্বয়তহে এটা নিউজ পেকেজ নিৰ্মিত হয়। এই পেকেজৰ মাধ্যমেদি সৰহ সংখ্যক সাংবাদিকে তেওঁলোকৰ কাহিনীসমূহ উপস্থাপন কৰে। প্ৰযোজকে নিৰ্ধাৰণ কৰি দিয়া এক মিনিটৰ পৰা তিনি মিনিটৰ ভিতৰত সাংবাদিক গৰাকীয়ে নিজৰ কাহিনীটো উপস্থাপন কৰে। অৱশ্যে এই সময়টো সাংবাদিক গৰাকীৰ কাহিনী লৈ, ভাল ভিডিঅ' আৰু মানযুক্ত সাক্ষাৎকাৰৰ আধাৰত নিৰ্ধাৰণ কৰা হয়। সাংবাদিক গৰাকীয়ে কাহিনীটো লিখিব লাগিব, সাক্ষাৎকাৰৰ অংশ বিশেষ তেওঁ নিৰ্বাচন কৰিব লাগিব, কি কি ভিডিঅ' দেখুৱাব তাৰ সিদ্ধান্ত ল'ব আৰু তাৰ পিছত প্ৰযোজক গৰাকীৰ পৰা অনুমোদন ল'ব। সংবাদ পৰিবেশনত

দেখাতকৈ উল্লেখ কৰি অহা এই প্ৰক্ৰিয়াত কিছু সময় লাগে। যি জন ব্যক্তিয়ে প্ৰকৃততে নিউজ ষ্ট'ৰিটোক এজন সহযোগীৰ সহায়ত সম্পাদনা যন্ত্ৰৰ ওচৰত বহি উপযুক্ত গঢ় প্ৰদান কৰে, তেওঁক ভিডিঅ' এডিটৰ বোলে।

এটা নিউজ পেকেজৰ চিৰাচৰিত অংশ হৈছে কেমেৰাৰ সন্মুখত থিয় হৈ কথা পাতি থকা এগৰাকী সাংবাদিকৰ গতিশীল চিত্ৰ। ইয়াকে 'ষ্টণ্ডআপ' (Standup) বোলা হয় কাৰণ সাংবাদিক গৰাকীক অহৰহ কাহিনীটোৰ দৃশ্যপটত কেমেৰাৰ সন্মুখত থিয় হৈ থকা দেখিবলৈ পোৱা যায়। আলোচনী আৰ্হিৰ নিউজ প্ৰ'গ্ৰেমিঙৰ ক্ষেত্ৰত পেকেজসমূহ বিশ মিনিটতকৈ দীঘলীয়া হ'ব পাৰে। এই প্ৰকাৰৰ সংবাদ পৰিবেশন জটিল প্ৰকাৰৰ কাহিনী অথবা ভালে সংখ্যাক সাক্ষাৎকাৰ থকা সংবাদ পৰিবেশনৰ ক্ষেত্ৰত উপযোগী হয়। পূৰ্বে বাণীবদ্ধ কৰা প্ৰতিবেদন য'ত সাক্ষাৎকাৰ আৰু শব্দ সমলয় (Sound Effect) সংযোজিত হয় আৰু যিয়ে শ্ৰোতা-দৰ্শকৰ মনোযোগ আকৰ্ষণ কৰাৰ লগতে কাহিনীটো সৃষ্টিশীল ভাবে আমোদ যোগাব পৰাকৈ পৰিবেশন কৰে তেনে এটা নিউজ পেকেজকে ভাল পেকেজ বোলে।

১০.৭ দৃশ্য-শ্ৰব্য মাধ্যমৰ বাবে লিখা আৰু পৰিবেশন কৌশল (WRITING FOR VISUAL AND PRESENTATION SKILLS)

নিউজ কপিৰ প্ৰস্তুতি (Preparing News Copy) ঃ টেলিভিছনৰ সংবাদ পৰিবেশন হৈছে এটা দৃশ্য-শ্ৰব্য পৰিবেশন য'ত সংবাদটোৰ ভাষা আৰু শৈলী এনে হ'ব লাগে যাতে ই পৰিবেশিত হোৱা ঘটনা বা উপলক্ষ্যটো (Event)ৰ ৰোমাঞ্চ আৰু উত্তেজনা তথা ইয়াৰ গুৰুত্ব আৰু কাৰুণ্য যথাযথ ৰূপত প্ৰকাশ কৰে।

নিউজ কপি হৈছে সাংবাদিকসকল নিয়োজিত হৈ থকা সেইটো কাম য'ত তেওঁলোকে দিন-ৰাতি লাগি থাকে। যদিওবা দেখাত ই তেনেই গতানুগতিক কাৰ্য, প্ৰকৃতাৰ্থত এইটো এটা অতীব প্ৰত্যাহ্বানপূৰ্ণ কাৰ্য। এজন সাংবাদিকক এটা ঘটনা বা অনুষ্ঠানৰ সংবাদ প্ৰতিবেদন যুগুত কৰাৰ সময়তে এই প্ৰক্ৰিয়া আৰম্ভ হয়। তেওঁ সেই ঘটনা বা উপলক্ষটো (Event)ৰ হয়। তেওঁ সেই ঘটনা বা উপলক্ষ্যটো (Event)ৰ চিত্ৰগ্ৰহণ কৰাৰ আগতে নিউজ ষ্ট'ৰিটোৰ মানসচিত্ৰ মনতে আঁকি লয় (Visualize)। ঘটনাটো বাণীবদ্ধ কৰি তাক স্ক্ৰীনত (Screen) পৰিবেশনতে তেওঁৰ দায়িত্ব শেষ নহয়। তেওঁ প্ৰয়োজনীয় দৃশ্যসমূহ লাভ কৰিবলৈ কেমেৰা চলোৱা মানুহজন আৰু সহযোগী কৰ্মীবৃন্দৰ লগত সমন্বয় সাধন কৰিব লাগিব। ইয়াৰ উপৰিও তেওঁ নিউজ ষ্ট'ৰিটোৰ বাবে এংগেল (Angle)ৰ কথা চিন্তা কৰিব লাগিব। এংগেলটো স্থিৰ কৰা অৰ্থ হ'ল তেওঁ কোনটো দৃষ্টিভংগীৰ পৰা ঘটনাটো পৰ্যবেক্ষণ কৰিব, কাৰণ একেটা ঘটনাৰে বিভিন্ন পৰিসৰ থাকিব পাৰে।

এই প্ৰাথমিক সিদ্ধান্তসমূহ গ্ৰহণ কৰাৰ পিচতহে তেওঁ ঘটনাটো বা উপলক্ষ্যটো বাণীবদ্ধ কৰে। ঘটনাটো প্ৰচাৰ (Cover) কৰা মানে হ'ল উভয় শ্ৰব্য আৰু ভিডিঅ' ৰূপত ইয়াৰ প্ৰচাৰণ। একেটা কাৰ্যৰ বিভিন্ন কোণৰ পৰা দৃশ্যগ্ৰহণে বাঞ্ছিত অৰ্থটো পোৱাত সহায় কৰে। কেইটামান

অতিৰিক্ত শ্বট অর্থাৎ কেইখনমান অতিৰিক্ত ছবি সন্নিৱিষ্ট কৰাতোও গুৰুত্বপূর্ণ। এনে অতিৰিক্ত দৃশ্য বা ছবি সম্পাদনা কৰোঁতে Cutaways হিচাপে দিব পাৰি। কাট্‌ৰে (Cutaway)সমূহৰ গুৰুত্ব আছে আৰু তাৰ প্রয়োগ বা সন্নিৱেশো অত্যাৱশ্যকীয়। আপুনি এইটো মনত ৰাখিব লাগিব যে আপোনাৰ ষ্ট'ৰিটো টেলিভিছন চেনেলৰ যোগেদি সম্প্রচাৰিত হ'ব। যদিহে কিবা কাৰণত চেনেলটোৱে নীতিগত স্থিতি গ্রহণ কৰে আৰু আপোনাৰ ষ্ট'ৰিটোক কার্যসূচীৰ ভিতৰুৱা কৰি লয়, তেতিয়া এ্যংক'ৰ (Anchor) গৰাকীয়ে আপুনি যোগান ধৰা ফুটেজ (Footage) অর্থাৎ ছবি বা দৃশ্যসমূহক আধাৰ হিচাপে লৈ সেই বিষয়ে কথা ক'ব লাগিব। যদিহে আপোনাৰ পর্যাপ্ত ফুটেজ নাথাকে তেতিয়াহ'লে চেনেলটোৱে বাৰে বাৰে একেখিনি ফুটেজকে দেখুৱাই থাকিবলগীয়া হয়— যিটো আমি আজিকালিৰ সংবাদ বুলেটিনত প্রত্যক্ষ কৰিব পাৰো। সেই কাৰণে প্রাথমিক ফুটেজসহ Cutawayসমূহো সমানেই গুৰুত্বপূর্ণ। উদাহৰণস্বৰূপে, যদিহে আপুনি আলিবাটত বহা কোনোবা খুচুৰা বিক্রেতা (Street Vendor) বা কোনোবা দোকানীক কিবা এটা ঘটনাক লৈ সাক্ষাৎকাৰ লৈছে বা স্থানীয় গুণ্ডা শ্রেণীৰ লোকে কোনোবা দোকানীক লুটি নিছে, তেনে ঘটনাৰ সাক্ষাৎ গ্রহণ কৰোঁতে আপুনি দোকানীজন আৰু তেওঁৰ কর্মচাৰীসকলৰ সাক্ষাৎ গ্রহণ, ভঙা শ্বোকে'চ আৰু চকী-মেজ ইত্যাদিৰ দৃশ্য গ্রহণ কৰোঁতেই সীমাবদ্ধ হ'ব নালাগিব। সেই চুবুৰিটোৰ দৃশ্যপট স্পষ্ট ৰূপত তুলি ধৰিবলৈ চুবুৰিটোৰ বিভিন্ন অংশ তাত থকা অন্যান্য দোকান আদিৰ ফুটেজ ল'ব লাগিব। যদি সময় পায় তেতিয়াহ'লে আগবাঢ়ি যাওঁক আৰু দোকানীলৈ অহা বাটটোৰ দৃশ্যগ্রহণ কৰিব আৰু ওচৰ-চুবুৰীয়া লোকে কেইজনমানকো সাক্ষাৎকাৰ লওক। এয়ে চেনেলৰ সম্পাদক কেইগৰাকীক সম্প্রচাৰৰ বাবে ষ্ট'ৰিৰ নির্মাণত সহায় কৰে, যাতে দর্শকৰ আগত ইয়াৰ আকর্ষণীয় উপস্থাপন সম্ভৱ হয়। অডিঅ'টোৱে যথাযথ পাৰিপার্শ্বিক পৰিবেশৰ প্রতি লক্ষ্য ৰাখি Ambience (Natural) শব্দৰ ৰূপত ঘটনা বা উপলক্ষ্যটোৰ লগত জড়িত প্রাসংগিক ব্যক্তিৰ ছাউণ্ড বাইট্‌ছ (Sound Bites) আৰু সাংবাদিকৰ Piece-to-Camera (PTC)ৰ ৰূপত বাণীবদ্ধ হয়।

অৱশেষত যেতিয়া শ্যুটিং শেষ হয়, সাংবাদিকজন কার্যালয়লৈ ঘূৰি আহে আৰু নিউজ ষ্ট'ৰিটো নিজেই সম্পাদনা কৰে বা সম্পাদনাৰ লগত বিশেষভাবে জড়িত কাৰিকৰী সম্পাদকৰ সহায়ত সেই সম্পাদনা কার্য সম্পন্ন কৰে।

পিচে প্রকৃত সম্পাদনা কার্যটো আৰম্ভ কৰাৰ আগতে সাংবাদিক গৰাকীয়ে এটা নিউজ কপি প্রস্তুত কৰি ল'ব লাগে। গোটাই লোৱা প্রতিবেদনৰ ভিত্তিত কপি লিখাৰ সময়ত স্ক্রিপ্ট লেখক-সাংবাদিক গৰাকীয়ে তলত দিয়া দিশসমূহৰ প্রতি লক্ষ্য ৰাখিব লাগিব—

ষ্ট'ৰি পইণ্টছ্‌ ঃ কি কি বস্তুক প্রাধান্য দিব লাগিব।

ছবি ঃ প্রাসংগিক দৃশ্য আছে নে নাই তাক চাব আৰু যদিহে নাই, থকাখিনিৰ (Footage) পৰা কেনেদৰে তেনে দৃশ্য নির্মাণ কৰিব।

বিৱৰণী যাক ভইচ অ'ভাৰ (Voice-Overs) আৰু Bites যাক Sound-on-Tape (SOT) হিচাপে জনা যায় ঃ এইটো হৈয়ে সেইটো অডিঅ' যিয়ে প্রাসংগিক বা সম্বন্ধযুক্ত দৃশ্যসমূহ বর্ণনা কৰে।




কাট্‌ৰে (Cutaway)ঃ এনে এটা শ্বট (Shot) যাক অন্য এটা গতিশীল শ্বটৰ মাজত সোমোৱাই দিয়া হয়।

হেণ্ড আউট বস্তু, যেনে— প্রেছ বিজ্ঞপ্তি ঃ এইসমূহ সেইবোৰ সামগ্রী যাক ঘটনা বা উপলক্ষ্যটোৰ লগত জড়িত গণ সংযোগকাৰী বিষয়া গৰাকীয়ে যোগান ধৰে। এইসমূহে মূল্যবান পশ্চাদপটৰ তথ্য যোগান ধৰাৰ লগতে ষ্ট'ৰিটোক কি ধৰণৰ এংগেল দিব লাগিব তাক নির্ণয় কৰে।

প্রদান কৰা নির্ধাৰিত সময় ঃ এটা নিউজ ষ্ট'ৰি ৩০ ছেকেণ্ড ধৰি চলিব পাৰে বা কেইবা মিনিট ধৰিও চলি থাকিব পাৰে। নিউজ ষ্ট'ৰিটোৰ বিষয়বস্তু নির্ণয় কৰাত নিউজ ষ্ট'ৰিটোৰ বাবে থকা নির্ধাৰিত সময় এটা অন্যতম প্রধান উপাদান।

টেলিভিছনৰ নিউজ ষ্ট'ৰিৰ সাধাৰণ গাঁথনিক গঢ়ৰ কথা ক'বলৈ গ'লে আমি এইটো ক'ব পাৰো যে সৰহসংখ্যক সংবাদ চেনেলে এটা নির্দিষ্ট গঢ় অনুসৰণ কৰে। অৱশ্যে ছপা নিউজ ষ্ট'ৰিৰ ওলোটা পিৰামিড শৈলীৰ বিপৰীতে টেলিভিছনৰ নিউজ ষ্ট'ৰিয়ে সৰল ৰেখা বা কালানুক্রমীয় নীতি অনুসৰণ কৰে। প্রত্যেকটো বাক্যতে পাঁচটা W আৰু এটা Hৰ উত্তৰবোৰ দিয়া হয়। সম্প্রচাৰ মাধ্যমৰ বাক্যসমূহ ছপা মাধ্যমৰ নিউজ ষ্ট'ৰিৰ তুলনাত চুটি। স্ক্রিপ্ট লেখোতাই প্রত্যেকটো বাক্যত এটাকৈ চিন্তা বা বিষয় সন্নিবেশৰ নীতি অনুসৰণ কৰে।



ছপা মাধ্যম **সম্প্রচাৰ মাধ্যম**

ছপা আৰু সম্প্রচাৰ মাধ্যমৰ লেখনশৈলী

ছপা আৰু সম্প্রচাৰ মাধ্যমৰ লেখনশৈলী আপুনি টেলিভিছনৰ নিউজ ষ্ট'ৰিটো সংকুচিত কৰি WHAT হিচাপে চুটিকৈ লিখিব পাৰে—

W What happened (কি হ'ল?)

H How did it happen (কেনেদৰে হ'ল?)

A Amplify the introduction (আৰম্ভণিটো ব্যাখ্যা কৰা।)

T Tie up loose ends (ঢিলা অংশসমূহ একে লগ কৰা।)

যেতিয়া এটা নিউজ কপি প্রস্তুত কৰা হয় তেতিয়া আপুনি মনত ৰাখিবলগীয়া প্রথমটো গুৰুত্বপূর্ণ কথা হৈছে যে সকলোবোৰ টেলিভিছন নিউজ ষ্ট'ৰিৰেই তিনিটা অংশ থাকে— আৰম্ভণি, মধ্য ভাগ আৰু শেষ ভাগ। যদি আপুনি সাৱধানে মন কৰে, তেতিয়াহ'লে আপুনি দেখিব যে

সকলোবোৰ টেলিভিছন চেনেলতে এই তিনিওটা অংশ আছে। আহক, এতিয়া আমি এই তিনিওটা অংশৰ বিষয়ে আলোচনা কৰো—

আৰম্ভণি (Bold) ঃ এটা টেলিভিছনৰ নিউজ ষ্ট'ৰি লিখিবলৈ আপুনি কলম বা কী-ব'ৰ্ডৰ সহায় ল'বলগীয়া নহয়। আপোনাৰ প্ৰয়োজন এটা সুস্থিৰ মন আৰু আপোনাৰ দৰ্শকসকলৰ ভাল লগা দিশসমূহ (Interests) আৰু তেওঁলোকৰ শংকা আদিৰ বিষয়ে যথোপযুক্ত জ্ঞান। আপুনি কলমেৰে কাগজখনত প্ৰথম শব্দটো লিখা বা আপোনাৰ কম্পিউটাৰত প্ৰথম বাক্যটো লিখাৰ আগতে ষ্ট'ৰিটো আৰু সেইটোৱে দৰ্শকসকলৰ জীৱনৰ ওপৰত কেনে প্ৰভাৱ পেলাব পাৰে সেই বিষয়ে চিন্তা কৰিব।



ৱায়াৰ কপি (Wire Copy) ঃ সেইবোৰ বাতৰি যিবোৰ সংবাদ সংস্থা বা ৱায়াৰ অৰ্থাৎ অনাতাঁৰ সেৱাৰ পৰা আহৰণ কৰা হয়।

- **তাত মোৰ বাবে কি আছে? (What's In it For Me–WIFM) ঃ** এটা নিউজ ষ্ট'ৰিৰ আৰম্ভণিটো লিখাৰ আগতে আপোনাৰ ষ্ট'ৰিটোৰ বাবে WIFM বা তাত মোৰ বাবে কি আছে? আপুনি এইটো কল্পনা কৰি ল'ব লাগিব যে এইটো প্ৰত্যেক গৰাকী দৰ্শকে কৰা প্ৰশ্ন। যেতিয়া আপুনি এটা নিউজ ষ্ট'ৰিৰ মুখামুখি হয়, আপুনি এইটো প্ৰশ্ন কৰক আপোনাৰ দৰ্শকসকলৰ বাবে ইয়াত কি আছে? যিটো ষ্ট'ৰিয়ে দৰ্শকসকলক প্ৰভাৱিত নকৰে, সেইটো ষ্ট'ৰি তেওঁলোকে বেছি সময়লৈ শুনিও নাথাকে আৰু চায়ো নাথাকে। গতিকে WIFM বিচাৰি উলিয়ালে এগৰাকী সংবাদ লেখকে সংবাদ বা নিউজটোত কোনখিনি তথ্য সন্নিৱেশ কৰিব লাগে আৰু কোনখিনিক বাদ দিব লাগে তাক জানি লৈ নিজৰ লক্ষ্যত মনটো নিবিষ্ট কৰি ৰাখিব পাৰে (Stay Focused)।
- **ফ'কাছ (Focus) ঃ** আপোনাৰ টেলিভিছন নিউজ ষ্ট'ৰিটোৰ ফ'কাচ হৈছে সেইটো বা সেইবোৰ দিশ যাক আপোনাৰ দৰ্শকসকলে বুজাটো আপুনি বিচাৰে। যদিহে আপুনি এটা ষ্ট'ৰিৰ বাবে প্ৰয়োজনীয় তথ্যৰ উৎস হিচাপে ৱায়াৰ কপি (Wire Copy) ব্যৱহাৰ কৰিছে, তেতিয়াহ'লে আপুনি সেইবোৰ ৱায়াৰ কপিৰ তথ্য নিৰ্বাচন কৰিব যিবোৰে আপোনাৰ দৰ্শকসকলৰ দৃষ্টি আকৰ্ষণ কৰে। আপুনি এটা ফ'কাচ স্থিৰ কৰি বিষয়বস্তুত সেই তথ্যখিনি অন্তৰ্ভুক্ত কৰি দিব।
- **লীড্ (The Lead) ঃ** WIFMটো সুধি আপুনি ফ'কাচটো স্থিৰ কৰিব। আপুনি ষ্ট'ৰিটোত সেইবোৰ তথ্যহে অন্তৰ্ভুক্ত কৰিব যিবোৰ তাৰ বাবে প্ৰাসংগিক। অন্যান্য তথ্য যিবিলাক তাত নালাগে বা খাপ নাখায় তাক পৃথক কৰি তাৰ পৰা আঁতৰাব লাগিব। আপোনাৰ দৰ্শকসকলৰ আগ্ৰহ বা ভাল লগা বিষয় আৰু শংকাসমূহক ভিত্তিক কৰি আপোনাৰ ষ্ট'ৰিটোৰ দিক্ নিৰ্দেশনাৰ বাবে আপুনি এটা আঁচনি প্ৰস্তুত কৰিব। এইখিনি কৰি লোৱাৰ পিচত আপুনি কলম তুলি ল'বলৈ বা কী-ব'ৰ্ডত আঙুলি বোলাবলৈ সাজু।

এটা টেলিভিছন নিউজ ষ্ট'ৰিৰ প্ৰথম বাক্যটোক লীড্ বোলা হয়। টেলিভিছন নিউজ ষ্ট'ৰি এনে হ'ব লাগিব যে ই আৰম্ভণিতে দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰি ষ্ট'ৰিটোৰ বিষয়বস্তুৰ লগত তেওঁলোক একাত্ম হোৱাৰ পৰিবেশ সৃষ্টি কৰে। সেইবাবে লীড্টো শক্তিশালী হ'ব লাগিব অৰ্থাৎ তাৰ প্ৰভাৱ শক্তিশালী হ'ব লাগিব। তাৰ বাবে প্ৰয়োজন এটা ভাল উপযুক্ত লীড। আপুনি লিখিবলগীয়া

আটাইতকৈ গুৰুত্বপূৰ্ণ বাক্যটো হৈছে লীড্‌টো।

এটা শক্তিশালী লীডৰ সন্ধান কৰিবলৈ যাওঁতে ষ্ট'ৰিটো বাহুল্য নকৰিব। তাক বিকৃত বা তাৰ অপব্যাখ্যা নকৰিব। এনে এটা আবেদনক্ষম উপায়ৰ কথা চিন্তা কৰক যাতে দৰ্শকসকল ষ্ট'ৰিটোৰ প্ৰতি আকৃষ্ট হয়। দৰ্শকসকলৰ মন নিবিষ্ট হৈছে নে নাই সেয়া আপোনাৰ প্ৰথম বাক্যটোৱে নিৰ্ধাৰণ কৰিব।

মধ্যম ভাগ (The Middle) ঃ এজন টেলিভিছন নিউজ লেখকে এনে এটা লীডেৰে আৰম্ভ কৰে যিয়ে দৰ্শকসকলক মন্ত্ৰমুগ্ধ কৰে বা দৰ্শকৰ মন লীডটোত নিবিষ্ট কৰি ৰাখে। ইয়াকে 'ছে'ল' (Sell) বুলি কোৱা হয় যাৰ অৰ্থ এইটোৱেই যে আপুনি লীডৰ যোগেদি ষ্ট'ৰিটো বিক্ৰী (Sell) কৰিছে।

তাৰ পিচত লেখকজনে 'Tell'ৰ মাধ্যমেদি নিজৰ উদ্দেশ্য সাধন কৰে অৰ্থাৎ মূল ক'বলগীয়া কথাখিনি কয়। আপুনি পাঁচটা W আৰু এটা Hৰ কথা জানে। এইকেইটাই হৈছে সেই ছটা প্ৰশ্ন তাক সাংবাদিকসকলে নিজৰ নিজৰ ষ্ট'ৰিত উত্তৰ দিবলৈ প্ৰয়াস কৰে। এগৰাকী টেলিভিছনৰ সংবাদ লেখক হিচাপে আপোনাৰ কাম হৈছে প্ৰশ্নৰ উত্তৰ দিয়া। এয়া Voice Overৰ ৰূপত কৰিব পাৰি যিয়ে প্ৰাসংগিক দৃশ্যৰ আধাৰত ষ্ট'ৰিটোৰ বিৱৰণি আগবঢ়াত সিঁচৰতি হৈ থকা প্ৰাসংগিক ছাউণ্ড বাইট্‌ (Sound Bites)ৰ সহায় লয়। নিউজ ষ্ট'ৰিটোৰ এই অংশৰ সাংবাদিক গৰাকীয়ে ব্ৰিজ পিটিচি (Bridge PTC)ৰ ৰূপত দেখা দিব পাৰে।

সাংবাদিকসকলে সচৰাচৰ প্ৰাথমিক প্ৰশ্নসমূহৰ উত্তৰ দিবলৈ প্ৰয়াস কৰে। কিন্তু ছপা মাধ্যম আৰু ৰায়াৰ কপি লেখকসকলৰ যি অৱসৰ আছে সেয়া টেলিভিছনৰ সংবাদ লেখোঁতাসকলে নাপায়— সেয়া হৈছে অৱসৰৰ সময়। ছপা মাধ্যম আৰু ৰায়াৰ কপি ষ্ট'ৰিসমূহে পৰিচ্ছেদ আৰু পৃষ্ঠা ভৰাই পাঠকসকলৰ প্ৰশ্নৰ উত্তৰ দিব পাৰে। দৰ্শকৰ দৃষ্টি নিবদ্ধ কৰি ৰাখিবলৈ টেলিভিছন নিউজ ষ্ট'ৰিবোৰ যথাসম্ভৱ চুটি হোৱা বাঞ্ছনীয়। সেয়া আপোনাৰ বাবে কিমান সময় আকৰ্ষণীয় হৈ থাকিব? সময়ৰ বাধ্যবাধকতাই টেলিভিছন নিউজ ষ্ট'ৰিৰ লেখকসকলক কিছুমান তথ্য সংক্ষিপ্ত কৰিবলৈ বাধ্য কৰায়।

আপোনাৰ টেলিভিছন নিউজ ষ্ট'ৰিৰ পৰা কিমানখিনি গ্ৰহণযোগ্য তথ্য আপুনি বাদ দিব? তাতো আকৌ অন্য এটা প্ৰশ্নই দেখা দিয়ে। সেই বাদ দিব খোজাখিনিৰ পৰা কিমানখিনি বা কি পৰিমাণৰ তথ্য বাদ দিব? আপুনি নিউজ ষ্ট'ৰি লিখাত যেতিয়া অভ্যস্ত হৈ পৰিব যেতিয়া আপুনি কিমানখিনি যোগ দিব আৰু কিমানখিনি বিয়োগ কৰিব সেই সিদ্ধান্ত গ্ৰহণৰ সময়ত আপুনি আত্মবিশ্বাসেৰে আগবাঢ়িব পাৰিব। আপুনি আপোনাৰ দৰ্শকসকলৰ বিষয়ে আৰু অধিক জানিব পৰাৰ লগে লগে আপুনি তেওঁলোকে কোনবোৰ বিষয়ৰ প্ৰতি অধিক আকৃষ্ট হয় তাক নিৰ্ণয় কৰিব পাৰিব। এইদৰে আপুনি আপোনাৰ দৰ্শকসকলে প্ৰাধান্য দিয়া বিষয়সমূহৰ বিষয়ে অধিক জানিব পাৰিলে আপুনি অধিক ফলপ্ৰসূভাৱে সেইবোৰ তথ্য চিনাক্ত কৰিব পাৰিব যিয়ো সেই বিষয়সমূহ প্ৰভাৱিত কৰাৰ লগতে বিষয়সমূহৰ মাজত পাৰস্পৰিক সমন্বয় সাধন কৰে বা বিষয়সমূহত অধিক প্ৰসংগৰ সংযোগ সাধন কৰে।

শেষ ভাগ (The End) ঃ নিউজ ষ্ট'ৰিটোৰ এইটো অংশত সংবাদ লেখক অর্থাৎ নিউজ ৰাইটাৰগৰাকীয়ে ষ্ট'ৰিটোৰ আৰম্ভণি মাৰিব লাগে। তেওঁ সেইটো বিভিন্ন ৰূপত কৰিব পাৰে। সাংবাদিকগৰাকীয়ে পিটিচিৰ ৰূপত কেমেৰাৰ সমুখলৈ নিজেই ওলাই আহি গোটেই ষ্ট'ৰিটো সংক্ষিপ্ত ৰূপত ক'ব পাৰে বা এটা Voice Overৰ মাধ্যমেদিও সামৰণি মাৰিব পাৰে। কেতিয়াবা নিউজ ষ্ট'ৰিটো এইদৰে সামৰণি মৰা হয় য'ত দৰ্শকক এইটো প্ৰতিশ্ৰুতি দিয়া হয় যে ভৱিষ্যৎ সময়ত পৰৱৰ্তী ষ্ট'ৰিসমূহত সেই নির্দিষ্ট বিষয়ে অধিক তথ্যৰ যোগান ধৰা হ'ব। উদাহৰণ স্বৰূপে ঃ 'আমি এই ষ্ট'ৰিটোৰ ভিত্তিতেই এই বিষয়ক বিস্তৃত তথ্যৰ যোগান ধৰিম,' বা 'আৰু অধিক তথ্য লাভ কৰিলে আমি আপোনালোকক এই ষ্ট'ৰিটোৰ অগ্ৰগতিৰ বিষয়ে জনাম।' অৱশ্যে, আমি এইটো মনত ৰাখিব লাগিব যে মিছা প্ৰতিশ্ৰুতি অহিতকাৰী আৰু পৰাপক্ষত তেনে প্ৰতিশ্ৰুতি দিয়াৰ পৰা বিৰত থাকিব লাগে।

চলচ্চিত্ৰ নির্মাণৰ প্ৰাথমিক জ্ঞান (Basics of Film Making) ঃ ওপৰত আলোচনা কৰি অহা দিশসমূহৰ নৈপুণ্যৰ উপৰিও টেলিভিছনৰ সাংবাদিক এগৰাকীৰ চলচ্চিত্ৰ নির্মাণৰ প্ৰাথমিক জ্ঞান থকা বাঞ্ছনীয়। যদিওবা বহুত ক্ষেত্ৰত এইটো দেখা যায় যে এগৰাকী টেলিভিছন সাংবাদিকৰ লগত এজন কেমেৰামেন থাকে, সাংবাদিক গৰাকীয়েহে কেমেৰামেনজনক কেনেকৈ শ্বটটো ল'ব লাগিব, কেমেৰাটো কোনটো কোণত থাকিব লাগিব, শ্বটসমূহৰ প্ৰকাৰ আদিৰ নীতি-নির্দেশনা দিয়ে। কেতিয়াবা অ.এছ শ্ব'ট (Over the Shoulder Shot) সাক্ষাৎকাৰ গ্ৰহণ কৰি থাকোতে উপযুক্ত হয়। আকৌ এজন সাংবাদিকে কোনোবা অপৰাধীৰ সাক্ষাৎ লোৱাৰ সময়ত ল'-এংগেল (Low-Angle) শ্ব'ট ল'লে সেয়া দেখা বেয়া হয়। পোহৰৰ বিপৰীতে শ্ব'ট ল'লে ছবিখন দেখাত বেয়া হয়। কোনো কোনো ক্ষেত্ৰত প্ৰান্তছায়া চিত্ৰই ষ্ট'ৰিটোৰ প্ৰভাৱ শক্তিশালী কৰে।

সর্বোপৰি আমি এইটো মনত ৰাখিব লাগিব যে সামাজিক দায়বদ্ধতাৰ লগতে গণ প্ৰচাৰ মাধ্যম হৈছে এটা ব্যৱসায় আৰু ইয়াৰ জৰিয়তে এগৰাকী সাংবাদিকে মান-প্ৰতিষ্ঠা লাভ কৰিব পাৰে যদিহে তেওঁ এটা ভাল নিউজ ষ্ট'ৰিৰ লগতে সুদৃশ্য যথোপযুক্ত ফুটেজ দিব পাৰে। ইয়াৰ অন্তর্নিহিত যুক্তি যিয়েই নহওক কিয়, ভাল TRP ৰেটিঙে এটা টেলিভিছন চেনেলৰ আয় বৃদ্ধি কৰে আৰু এগৰাকী সাংবাদিকে নিজৰ কর্তব্য বুলি ভাবি এই দিশত অৰিহণা যোগাব লাগে।




জানি থোৱা ভাল

নিউজ কপি প্ৰস্তুতিৰ ছটা পর্যায়—

১) এটা ঘটনাৰ নিউজ ৰূপে বা সংবাদ ৰূপে মূল্য কিমান তাক নির্ণয় কৰক।

২) ষ্ট'ৰি লাইনটো বুজি লৈ গৱেষণ/সাক্ষাৎকাৰ/কথোপকথন/ডকুমেণ্টেৰী/আর্কাইভ আদিৰ পৰা তথ্য সংগ্ৰহত তৎপৰ হোৱা



ব্ৰিজ পিটিচি (Bridge PTC) : যেতিয়া কোনো এটা দৃশ্য বাস্তৱত দেখুওৱাটো সম্ভৱ নহয় বা যেতিয়া সাংবাদিকগৰাকীয়ে দেখুওৱাবলৈ বিচাৰে। কেতিয়াবা ষ্ট'ৰিটোত কিবা বিচ্যুতি ঘটিলেও ব্ৰিজ পিটিচি প্ৰয়োগ কৰা হয়।

৩) তাৰ পিছত সংবাদটো (নিউজ) বিচাৰ কৰাৰ জ্ঞান বা বৌদ্ধিক যোগ্যতাৰ লগতে নিজৰ লেখন কলাৰ প্ৰয়োগ বাঞ্ছনীয়।

৪) প্ৰেছ ৰিলিজ বা প্ৰতিবেদন (ৰিপৰ্ট)ত থকা তথ্যৰ আৱশ্যকীয় উপাদানসমূহ নিৰ্ণয় কৰক। সদায় W আৰু H-ৰ সূত্ৰ (formula) প্ৰয়োগ কৰিব আৰু গুৰুত্ব অনুসৰি উপাদানসমূহ সজাব।

৫) লীড্‌টো কেৱল গুৰুত্বপূৰ্ণ বৈশিষ্ট্য সন্নিৱেশ কৰি লিখিব লাগে।

৬) বাকীবোৰ তথ্য কোনটো তথ্য আনটোৰ পৰা কম গুৰুত্বপূৰ্ণ— তেনে ক্ৰমত সজাব লাগে।

টেলিভিছনৰ বাবে লিখাৰ নীতিসমূহ (Rules for Writing for Television) ঃ টেলিভিছনৰ বাবে সংবাদ লিখোতে কেইটামান নীতি মানি চলিব লাগে। সেই নীতিকেইটা হৈছে—

১) অনানুষ্ঠানিক, কথোপকথনমূলক শৈলীত লিখিব লাগে।

২) লেখাটো বিতং, সৰল আৰু পোনপটীয়া হ'ব লাগে। অস্পষ্ট, বিক্ষিপ্ত কাৰ্য বা তথ্য ভ্ৰমাত্মক হয়। সম্প্ৰচাৰৰ বাবে লিখা সংবাদৰ প্ৰথম আৱশ্যকীয় উপাদান হৈছে স্পষ্টতা (Clarity)। সংবাদটো শুনাৰ লগে লগে শ্ৰোতা-দৰ্শকে বুজি পাব লাগিব।

৩) আলংকাৰিক ভাষা প্ৰয়োগৰ পৰা বিৰত থাকক।

৪) যিমান পাৰে চমু কৰিব। প্ৰত্যেকটো বাক্য মাত্ৰ এটা চিন্তা/মত বা দৃশ্য বহন কৰিব লাগিব। শ্ৰোতা-দৰ্শকক এটা সময়ত এটাকৈ তথ্য জনাব। যদিহে আপুনি এটা সময়তে বহুবোৰ তথ্যৰ যোগান ধৰে, তেওঁলোকে সেই সকলোবোৰ বহন কৰিব (বুজিব) নোৱাৰিব।

৫) যথোপযুক্ত শব্দৰ ব্যৱহাৰ কৰিব। অভিধান আৰু শব্দকোষ হাততে পোৱা স্থানত থ'ব। ব্যৱহাৰ কৰা শব্দক লৈ কিবা ধৰণৰ সামান্য শংকা উদ্ভৱ হ'লেই অভিধান আৰু শব্দকোষ মেলি ল'ব।

৬) শব্দৰ অৰ্থ জানি লৈহে সেই শব্দ প্ৰয়োগ কৰিব। প্ৰায় একে ধৰণৰ উচ্চাৰণ আৰু আখৰযুক্ত শব্দৰ মাজৰ পাৰ্থক্য আপুনি সুনিশ্চিতভাৱে জানিব লাগিব। উদাহৰণ স্বৰূপে আমি ইংৰাজী শব্দ দুটামানৰ উল্লেখ কৰিব পাৰো— 'Says' আৰু 'Claims'— এই দুটা শব্দৰ তথা তাৰ অৰ্থৰ পাৰ্থক্য বিচাৰ কৰিহে আমি যথাস্থানত শব্দকেইটা প্ৰয়োগ কৰিব পাৰো।

৭) শ্ৰোতা-দৰ্শকসকলৰ চিনাকি শব্দহে নিৰ্বাচন কৰিব। প্ৰয়োজন নহ'লে কাৰিকৰী ভাষা (Technical Jargon)ৰ প্ৰয়োগ নকৰাই ভাল যদিহে অত্যাৱশ্যক নহয়।

৮) লিখোতে সদায় প্ৰত্যক্ষ উক্তি আৰু বৰ্তমান কাল ব্যৱহাৰ কৰিব লাগে।

৯) দৰ্শকক সংখ্যা আৰু অংকৰ মেৰপাকত নোসোমোৱাব। সংখ্যা বা অংকৰ প্ৰয়োগ যিমানেই

কম হয় সিমানেই ভাল। য'ত প্রকৃত সংখ্যাৰ উল্লেখ বাঞ্ছনীয়, তাতহে সেই সংখ্যাটো উল্লেখ কৰিব।

১০) সংখ্যাসমূহ একৰ পৰা এঘাৰলৈ বানান কৰি লিখক। ১২-৯৯৯ লৈ সংখ্যা চিহ্নৰে লিখক। ৯৯৯ৰ উৰ্দ্ধৰ সংখ্যাৰ ক্ষেত্ৰত হাইফেনযুক্ত সংখ্যা আৰু শব্দ লিখিব। ইংৰাজীত তেনে এটা উদাহৰণ হৈছে— 33 thousand.

১১) স্ক্রিপ্ট লিখোতে সাৱধান হ'ব যাতে ভুল নহয়। ব্যাকৰণজনিত ভুলে এখন নিউজ স্ক্রিপ্ট পঢ়াত যথেষ্ট অসুবিধাৰ সৃষ্টি কৰে। এনে ভুলে এ্যাংক'ৰ গৰাকীক কেতিয়াবা বৰ অসুবিধাজনক স্থিতিত পেলাব পাৰে।

১২) যিবিলাক শব্দত বিশেষ মনোযোগৰ প্রয়োজন তেনে শব্দৰ তলত আঁচ (Underline) টানি দিব লাগে অথবা যিবিলাক শব্দ উচ্চাৰণ কৰিবলৈ অসুবিধাজনক হয় তাৰ তলতো আঁচ টানি দিব লাগে। বিশেষকৈ মানুহৰ নাম আৰু ঠাইৰ নামৰ উচ্চাৰণ কৰিবলৈ অসুবিধা পালে কঠিন শব্দটোৰ কাষতে তাৰ উচ্চাৰণটো লিখি ল'ব লাগে।

১৩) হাইফেনযুক্ত শব্দ বা শব্দাংশ এটা শাৰীতে লিখিব। তাক দুটা শাৰীত বিভাজিত কৰিলে অসুবিধাৰ সৃষ্টি হ'ব পাৰে।

১৪) শব্দৰ সংক্ষিপ্ত ৰূপ পৰাপক্ষত পৰিহাৰ কৰিব। অৱশ্যে যিবিলাক ক্ষেত্ৰত মূল শব্দ বা দীঘলীয়া শব্দটোৰ সংক্ষিপ্ত ৰূপটোৰ অধিক চলতি, তেনে ক্ষেত্ৰতহে সংক্ষিপ্ত ৰূপটো ব্যৱহাৰ কৰিব।

১৫) আপুনি লিখিবলৈ লোৱাৰ আগতে তথ্যসমূহৰ নির্ভৰযোগ্যতা আৰু বিশ্বাসযোগ্যতা পৰীক্ষা কৰিব।

১৬) কাৰোবাৰ প্রতি কৃতজ্ঞতা প্রকাশ বা ধন্যবাদসূচক মন্তব্য দিয়াৰ আগতে লক্ষ্য ব্যক্তিজন বা ব্যক্তিসকলক চিনাক্ত কৰি ল'ব। বাক্যটোৰ শেষত কৃতজ্ঞতা প্রকাশ নকৰিব। কৃতজ্ঞতা-সূচক মন্তব্যটো সদায় বাক্যৰ আৰম্ভণিতে দিব লাগে। ইংৰাজী ভাষাত দিয়া উদাহৰণ এটাৰে এই কথাষাৰ স্পষ্টভাৱে বুজাব পাৰি— (Example : Don't write '.....', the Prime Minister said. Instead write The Prime Minister said, '.....').

১৭) যদিহে ব্যক্তিজন বিখ্যাত নহয়, তেনে ব্যক্তিৰ নামেৰে ষ্ট'ৰিটো আৰম্ভ কৰিব নালাগে। 'নির্ণায়ক' (Qualifier)ৰ সহায়ত ব্যক্তিজনৰ পৰিচয় দিব। তেওঁৰ নামটো পিছত লিখিব। (উদাহৰণ ঃ কোম্পানীটোৰ অধ্যক্ষ প্রকাশ দাস)।

১৮) প্রথমবাৰ কাৰোবাৰ নাম উল্লেখ কৰিলে সম্পূর্ণ নামটো ক'ব। তাৰ পিছৰ বাৰ কেৱল তেওঁৰ নামটো বা তেওঁৰ উপাধিটো উল্লেখ কৰিব।

১৯) ষ্ট'ৰিটোত যিবোৰ নাম আৰু ঠাই সন্দেহজনক আৰু ষ্ট'ৰিটোৰ অর্থ ফুটাই তোলাত সহায়ক নহয়, তেনেবিলাক মানুহৰ নাম আৰু ঠাইৰ কথা উল্লেখ নকৰিব।

২০) যদিহে বয়সৰ উল্লেখ কৰিবলগীয়া হয়, বয়সটো নামৰ আগত দিব লাগিব। যেনে— পীড়িতজন ২১ বছৰীয়া ৰব্ ৰয়।

২১) পোনপটীয়া উদ্ধৃতি সাৱধানতাৰে আৰু মিতব্যয়িতাৰে ব্যৱহাৰ কৰিব লাগে। এই ক্ষেত্ৰত ছাউণ্ড বাইট্‌ৰ ব্যৱহাৰ অধিক উপযোগী। যদি বাণীবদ্ধ ৰূপত ছাউণ্ড বাইট্ নাথাকে তেতিয়াহ'লে পোনপটীয়া উদ্ধৃতিকে ব্যৱহাৰ কৰিবলগীয়া হয়। এনে ক্ষেত্ৰত উদ্ধৃতি প্ৰকাশ কৰোঁতে 'অমুকৰ কথাৰে ক'বলৈ গ'লে...', 'তেওঁ কোৱাৰ দৰে...' অথবা শব্দান্তৰ প্ৰকাশ (Paraphrase)ৰ মাধ্যমেদি তেনে উদ্ধৃতি প্ৰকাশ কৰিব লাগে।

২২) 'ইতিমধ্যে' শব্দটো প্ৰয়োগ কৰাৰ পৰা বিৰত থাকক। সৱহ সংখ্যক সংবাদ চেনেলে জধে-মধে এই শব্দটোৰ ব্যৱহাৰ কৰে। শব্দটোৰ এনে প্ৰয়োগ শুদ্ধ নহয়, যদিহে বিষয়বস্তু আৰু মধ্যস্থ সময়ৰ মাজত নিকট সম্বন্ধ থাকে, তেতিয়াহে এই শব্দটোৰ প্ৰয়োগ বাঞ্ছনীয় হয়।

২৩) এটা শক্তিশালী লীড্ লিখি দৰ্শকৰ মনোযোগ আকৰ্ষণ কৰক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১৪ ঃ এটা টেলিভিছনৰ নিউজ ষ্ট'ৰিত সংখ্যা বা অংক লিখা প্ৰাথমিক নীতিসমূহ কি কি?

.....

.....

.....

.....

.....

.....

.....

.....

.....

.....

প্ৰশ্ন নং ১৫ ঃ এটা টেলিভিছন নিউজ ষ্ট'ৰিত উপাধি আৰু নাম লিখাৰ প্ৰাথমিক নীতিসমূহ কি কি?

.....

.....

.....

.....

.....

.....

.....

.....

প্রশ্ন নং ১৬ ঃ খালী ঠাই পূৰ কৰক—

এটা ছপা মাধ্যমৰ নিউজ ষ্ট'ৰিৰ ওলোটা পিৰামিড শৈলীৰ বিপৰীতে টেলিভিছনৰ নিউজ ষ্ট'ৰিয়ে ..... বা ক্ৰমানুসাৰ নীতি অনুসৰণ কৰে।

প্রশ্ন নং ১৭ ঃ ব্ৰিজ পিটিচি বুলিলে কি বুজে?

.....

.....

.....

প্রশ্ন নং ১৮ ঃ পাঁচটা W আৰু এটা H-এ কি সূচায়?

.....



চিন্তা-চৰ্চা কৰক ১০.২

ক) আপোনাৰ চুবুৰিত সংঘটিত হোৱা কোনো উল্লেখযোগ্য ঘটনা বা উপলক্ষক লৈ এটা টেলিভিছন নিউজ কপি প্ৰস্তুত কৰক। টেলিভিছন নিউজ ষ্ট'ৰিটোৰ তিনিওটা অংশৰ কথা মনত ৰাখি প্ৰাথমিক নীতিসমূহ মানি চলি সেই নিউজ ষ্ট'ৰিটো লিখিব।

.....

.....

.....

খ) সম্প্ৰচাৰ লেখনিৰ লগত জড়িত প্ৰাথমিক নীতিসমূহ মানি তলত দিয়া অংশছোৱা এটা টেলিভিছন নিউজ ষ্ট'ৰিলৈ ৰূপান্তৰিত কৰক ঃ

নতুন দিল্লী, জানুৱাৰী ১৮ (পিটিআই) ঃ জম্মু আৰু কাশ্মীৰত চৰকাৰৰ সৈন্য-বাহিনীৰ সংখ্যা কমোৱাৰ যি সিদ্ধান্ত সেয়া 'যেনেকৈ আৰু যেতিয়া পৰিস্থিতিয়ে দাবী কৰে' তেনে নিৰীক্ষণৰ বাবে মুকলি। প্ৰতিৰক্ষা মন্ত্ৰী প্ৰণৱ মুখাৰ্জীয়ে আজি এইদৰে কয় ঃ

'সিদ্ধান্তটো এটা বিশেষ পৰিস্থিতিৰ কথা আগত ৰাখি লোৱা হ'ল। অৱশ্যে ই এটা নিৰীক্ষণৰ বিষয়। যদিহে অনুপ্ৰৱেশকাৰীৰ সংখ্যা বৃদ্ধি পায় অথবা পৰিস্থিতি অধিক বেয়াৰ ফালে ঢাল খায়, তেন্তে নিশ্চিতভাৱে এই সিদ্ধান্তটোৰ পুনৰ নিৰীক্ষণ হ'ব,

'National Cadet Corps' (NCC)ৰ গণৰাজ্য দিৱসত অনুষ্ঠিত হোৱা পদাভিষেক অনুষ্ঠানত ভাষণ দি তেওঁ এইদৰে কয়।

অলপতে জম্মু আৰু কাশ্মীৰত সংঘটিত হোৱা সন্ত্রাসবাদীৰ আক্রমণৰ বিষয়ে কৰা প্রশ্ন এটাৰ উত্তৰত তেওঁ কৈছিলে যে সিদ্ধান্তটোৰ পুনৰ নিৰীক্ষণ হ'ব 'যেনেকৈ আৰু যেতিয়া পৰিস্থিতিয়ে দাবী কৰে'। কিন্তু এই আক্রমণসমূহেই 'তাৰ বাবে যথেষ্ট কাৰণ নহয়।'

অনুপ্রৱেশৰ স্তৰটো কমা বুলি উল্লেখ কৰি মুখাৰ্জীয়ে ক'লে যে সন্ত্রাসবাদীয়ে প্রায়েই গুৰুত্বপূৰ্ণ ৰাষ্ট্রীয় উপলক্ষ যেনে গণৰাজ্য দিৱস, গণতন্ত্র দিবস বা বিদেশৰ কোনো বিশেষ সন্মানিত ব্যক্তিৰ আগমনৰ সময়ত সন্ত্রাসবাদী কার্যকলাপ সংঘটিত কৰে। তেনে কৰি সিবিলাক সন্ত্রাসবাদী গোটে বিশ্বৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰে।

প্রতিৰক্ষা মন্ত্রীগৰাকীয়ে কয় যে ভাৰতে এই কথাটোৰ প্রতি অহৰহ জোৰ দি আহিছে যে পাকিস্তানৰ ৰাষ্ট্রপতি পাৰভেজ মুশ্ৰাৰফে 'তেওঁৰ নিজৰ প্রতিশ্রুতিৰ কথা মনত ৰাখি' পাকিস্তানৰ ভূমিকা ভাৰতবিৰোধী কার্যকলাপ আৰু সন্ত্রাসবাদী কার্যকলাপৰ বাবে ব্যৱহাৰ নকৰে যেন।

তেওঁ এইটোও কয় যে, যিহেতু সন্ত্রাসবাদ সিবিলাক গোটক যোগান ধৰা সমৰসজ্জা, ৰচদপাতিৰ লগত জড়িত, গতিকে সীমাৰ সিপাৰৰ পৰা হোৱা সন্ত্রাসবাদীৰ ব্যাপক অনুপ্রৱেশ ৰোধত 'কাঁটাতাঁৰৰ বেৰ আৰু নিৰাপত্তাৰক্ষীসকলৰ সজাগ পহৰা'ই যথেষ্ট অৰিহণা আগবঢ়াইছে। পাকিস্তানৰ লগত বিশ্বাস স্থাপনৰ পদক্ষেপ (Confidence Building Measures) সম্পর্কীয় প্রশ্ন এটাৰ উত্তৰত মুখাৰ্জীয়ে ক'লে যে, সেই দেশখনে আজিও সন্ত্রাসবাদীক 'নিৰৱচ্ছিন্ন আৰু বাধাহীন সমর্থন' দি থকাটো অতি দুর্ভাগ্যজনক বিষয়।

.....

.....

.....



১০.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সংবাদ সংগ্রহ এটা বিশেষ ক্ষেত্র আৰু পল-অনুপললৈকে সংবাদ যোগান ধৰি থকাৰ বাবে বিশেষ দক্ষতাৰ প্রয়োজন।
- নিউজ এডিট'ৰ গৰাকী হৈছে নির্দিষ্ট সংবাদ চেনেলটোৰ ডি-ফেক্ট' কেপ্টেইন আৰু সেই চেনেলটোৰ দ্বাৰা সম্প্রচাৰিত হোৱা সকলো ধৰণৰ সংবাদৰ বাবে তেওঁ দায়ী।

- সংবাদ প্রযোজক (News Producer)গৰাকী হৈছে সেই গৰাকী ব্যক্তি যিয়ে বিভিন্ন উৎসৰ পৰা সংগ্রহ কৰা ষ্ট'ৰি (Story)সমূহ মিলাই চাই আৰু সেইসমূহ যথোপযুক্তভাৱে সজাই তোলে।
- মুখ্য সাংবাদিক বা ভাৰপ্রাপ্ত সম্পাদক (Assignment Editor)গৰাকীয়ে সাংবাদিক আৰু কেমেৰাপার্ছনসমূহ বিশিষ্ট উপলক্ষ বা ঘটনাসমূহৰ দৃশ্য ল'বলৈ নির্দেশ দিয়ে আৰু সাংবাদিকসকলক বিশেষ বীটত কাম কৰিবলৈ নিয়োজিত কৰে।
- কেমেৰাপার্ছন গৰাকীয়ে কিবা এটা ঘটনা বা উপলক্ষ্যৰ দৃশ্য গ্রহণ কৰে। তেওঁ নিজে নিজেই কেমেৰাটোক বিভিন্ন দিশত থৈ দৃশ্য গ্রহণ কৰে বা সাংবাদিক গৰাকীৰ নির্দেশক্রমে একোটা ঘটনা বা উপলক্ষ্যৰ বিভিন্ন অংশৰ দৃশ্য গ্রহণ কৰে।
- ষ্ট্রিংগাৰ হৈছে সেইসকল সাংবাদিক যাক এনে স্থান বা অঞ্চলত সংঘটিত হোৱা ঘটনা বা উপলক্ষ্যৰ দৃশ্য গ্রহণ কৰিবলৈ নিযুক্ত কৰা হয় যি স্থানলৈ মূল কেন্দ্রৰ প্রতিবেদক বা সাংবাদিক যাব নোৱাৰে।
- যিগৰাকী ব্যক্তিয়ে সম্পাদনা যন্ত্রৰ সন্মুখত বহি নিউজ ষ্ট'ৰিটোক প্রকৃত গঢ় দিয়ে তেওঁক ভিডিঅ' এডিটৰ বোলা হয়। তেওঁ সাংবাদিকজনে আগবঢ়োৱা স্ক্রিপ্ট/ষ্ট'ৰিটোৰ লগত মিলাকৈ সম্পাদনা কৰি ভিডিঅ'সমূহ সংস্থাপন কৰে।
- ভইচ অ'ভাৰ আর্টিষ্ট গৰাকীয়ে নিউজ ষ্ট'ৰিটোৰ পশ্চাদপটত থাকি ধাৰাবাহিক বিৱৰণী আগবঢ়ায়।
- নিউজ কাষ্ট (News Cast)ত নিউজ ষ্ট'ৰিটো পঢ়া ব্যক্তি গৰাকীক নিউজ এ্যংক'ৰ (News Anchor) বা নিউজ কাষ্ট বোলা হয়।
- কাৰিকৰী সম্পাদক গৰাকীয়ে এটা নিউজ ষ্ট'ৰি সৃষ্টি কৰিবলৈ বিভিন্ন দৃশ্য আৰু অডিঅ'ৰ সংযোগ ঘটায় আৰু এখন নিউজ বুলেটিন সৃষ্টি কৰিবলৈ বিভিন্ন নিউজ ষ্ট'ৰিৰ সংযোজন ঘটায়।
- এটা টেলিভিছন নিউজ চেনেলৰ মাল্টি-মিডিয়া প্রযোজক (MMP) গৰাকীয়ে এইটো নিশ্চিত কৰে যাতে সকলো ষ্ট'ৰি সেই নির্দিষ্ট চেনেলটোৰ ৱেবছাইটৰ বাবে নির্মিত হয় আৰু তাক নিতৌ নতুন নতুন তথ্য সংযোগ কৰা হয় (Update)।
- মূল টেলিভিছন সংবাদ সম্প্রচাৰ অর্থাৎ নিউজ ব্রডকাষ্টটো আৰম্ভ হোৱাৰ আগতে সেইটোৰ দৃশ্যাৱলী বাণীবদ্ধকৰণ আৰু সম্পাদনা, গৱেষণা, লেখককার্য আৰু সাক্ষাৎগ্রহণৰ বিস্তৃত কার্যসূচী জড়িত হৈ থাকে।
- ছাউণ্ড বাইট হৈছে মতামত বা চমু সাক্ষাৎকাৰৰ বাণীবদ্ধ ভিডিঅ' টে'প।
- নিউজ বুলেটিনৰ আটাইতকৈ গুৰুত্বপূর্ণ ষ্ট'ৰিটোক লীড্ ষ্ট'ৰি বোলে।
- এটা পূর্ণাংগ নিউজ পেকেজত সন্নিবিষ্ট হৈ থাকে এটা পূর্বে প্রযোজিত ষ্ট'ৰি য'ত থাকে সাংবাদিক, ভিডিঅ', ছাউণ্ড বাইট আৰু ষ্টেণ্ডআপ (Piece to Camera)।

- টেলিভিছনৰ সংবাদ পৰিবেশনা হৈছে এনে এক অডিঅ'-ভিজুৱেল পৰিবেশনা য'ত এটা ঘটনা বা উপলক্ষ্যক লৈ জড়িত ৰোমান্স আৰু উত্তেজনা তথা আশু আৱশ্যকতা আৰু কাৰুণ্য পৰিবেশিত হয়।
- এটা টেলিভিছন নিউজ ষ্ট'ৰিৰ তিনিটা অংশ— আৰম্ভণি, মধ্য ভাগ আৰু সামৰণি থাকে।
- টেলিভিছন নিউজ বুলেটিন বা নিউজ কাষ্ট হৈছে নির্ধাৰিত কৰি দিয়া দৈনিক টেলিভিছন অনুষ্ঠান যিয়ে সাম্প্রতিক ঘটনা আৰু প্রসংগসমূহত আলোকপাত কৰে।



১০.৯ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1) Agarwal, V. B. and Gupta, V. S. (2002), *Handbook of Journalism and Mass Communication*, Concept Publishing Company, Mumbai.
2) Chatterji, P. C. (1991), *Broadcasting in India*, Sage Publications.
3) Kumar, Keval. J. (2006), *Mass Communication in India*, Jaico Publishing House, Mumbai.
4) Kundra, Shipra (2005). *Basic Audio Visual Media*, Anmol Publications Pvt. Ltd.
5) Luthra, H. R. (1986), *Indian Broadcasting*, Publications Division, Ministry of Information and Broadcasting.
6) Ninan, Sevanti (1995), *Through the Magic Window : Television and Change in India*, Penguin Books.
7) Shrivastava, K. M. (2005), *Broadcast Journalism in 21st Century,* New Dawn Press, New Delhi.



১০.১০ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃবাতৰি সম্পাদক।

২নং প্রশ্নৰ উত্তৰ ঃ কাৰিকৰী সম্পাদকগৰাকীৰ দায়িত্ব হৈছে বিভিন্ন শ্ব'ট (Shot) আৰু অডিঅ'ৰ সংযোজন ঘটোৱা আৰু তাৰ সহায়ত একোটা নিউজ ষ্ট'ৰি নির্মাণ কৰি সেই নিজউ

ষ্ট'ৰিসমূহৰ সমন্বয়ত নিউজ বুলেটিন একোখন প্ৰস্তুত কৰা। তেওঁৰ কাৰিকৰী কৌশলৰ বিষয়ে যথেষ্ট জ্ঞান থাকিব লাগিব। তাৰ লগতে ভাল নিউজ আৰু নন্দনতাত্ত্বিক সৌন্দৰ্যৰ সম্বন্ধেও তেওঁৰ জ্ঞান থকা প্ৰয়োজন।

৩নং প্ৰশ্নৰ উত্তৰ ঃমাল্টি-টাস্কিং অৰ্থাৎ বহুধা বিভক্ত কৰ্ম এগৰাকী সাংবাদিকৰ প্ৰধান গুণ। ইয়াৰ অৰ্থ হ'ল কৌশল খটুৱাই বিভিন্ন কাম কৰা আৰু প্ৰতিকূল পৰিস্থিতিৰে কাম কৰিবলৈ থকা সামৰ্থ। আজিৰ দিনত সাংবাদিকসকলে অন্যান্য প্ৰয়োগ কুশলী ব্যক্তিৰ সহায়ত টেলিভিছনৰ বাবে ষ্ট'ৰিটোৰ দৃশ্যগ্ৰহণ কৰাৰ লগতে তাৰ প্ৰতিবেদন প্ৰস্তুত কৰিব লাগিব। ইয়াৰ বাহিৰেও তেওঁলোকে নিজৰ ষ্ট'ৰিসমূহ সম্পাদনা কৰি তাক বাতৰি কোঠালৈ প্ৰেৰণ কৰিব লাগে।

৪নং প্ৰশ্নৰ উত্তৰ ঃএইসকল সেইসকল প্ৰতিভাশালী ব্যক্তি যিয়ে বতৰ আৰু ক্ৰিয়া বিষয়ক প্ৰতিবেদন পৰিবেশন কৰে। বতৰ বিজ্ঞান বিভাগ আৰু ক্ৰীড়া ক্ষেত্ৰৰ লগত জড়িত যথোপযুক্ত গ্ৰাফিক তথ্যৰ সহায়ত তেওঁলোকে নিজ নিজ ক্ষেত্ৰৰ পৰিবেশন কাৰ্য সম্পন্ন কৰে।

৫নং প্ৰশ্নৰ উত্তৰ ঃটেলিভিছনৰ নিউজ চেনেলৰ মাল্টি-মিডিয়া প্ৰযোজকগৰাকীয়ে এইটো সুনিশ্চিত কৰে যাতে সকলো ষ্ট'ৰি চেনেলটোৰ ৱেবছাইট (Website)ৰ বাবে লিখা হয় আৰু দৈনিক তাৰ আপ্‌ডেট (Update) হয়। ৱেবছাইটটোত থকা ইমেজ (Image), গ্ৰাফিকছ (Graphics), ব্যাখ্যামূলক চিত্ৰাংকন (Illustrations) আৰু অন্যান্য বিষয়বস্তু (Contents)ৰ বাবে তেওঁ দায়িত্বশীল।

৬নং প্ৰশ্নৰ উত্তৰ ঃ৯০ৰ পৰা ১২০ ছেকেণ্ড।

৭নং প্ৰশ্নৰ উত্তৰ ঃনিউজ বুলেটিন এখন সাধাৰণতে সংগীত আৰু দৃশ্যাংশৰ মিশ্ৰণেৰে নাটকীয়ভাৱে আৰম্ভ কৰা হয়। প্ৰতিটো চেনেলৰে নিজ পৰিচয়বহনকাৰী বিশেষ 'ছিগনেছাৰ মিউজিক' আৰু নিজস্ব শৈলী আছে। এইবোৰৰ দ্বাৰাই দৰ্শকে 'নিউজ বুলেটিন'বোৰ চিনাক্ত কৰে।

৮নং প্ৰশ্নৰ উত্তৰ ঃটেলিভিছন সংবাদৰ এটা গুৰুত্বপূৰ্ণ বিষয় হ'ল সম্পাদনা। কাৰণ ই বাতৰিৰ প্ৰাসংগিকতা সম্পূৰ্ণ সলনি কৰি পেলাব পাৰে। টেলিভিছন সংবাদৰ সম্পাদনা সাধাৰণতে অতি উজু কৰি ৰখা হয়। সম্পাদনা কালত নিজ ইচ্ছামতে হৰণ-ভগন কৰাৰ সুযোগ পোৱা যায়। সম্পাদকগৰাকীয়ে সেয়েহে সদায় বৃত্তিগত সততা অক্ষুণ্ণ ৰাখিব লাগে। তেওঁ কোনো নীতিবিৰুদ্ধ কাৰ্যকলাপত লিপ্ত হ'ব নালাগে।

৯নং প্ৰশ্নৰ উত্তৰ ঃPTC অথবা 'পীছ-টু-কেমেৰা' হ'ল টিভি সংবাদৰ এটা অনন্য উপাদান। দৃশ্য দেখুৱাব নোৱাৰা বিষয় এটা ব্যাখ্যা কৰিবলৈ, সহজ কৰি তুলিবলৈ অথবা বিৱৰণী দিবলৈ সাংবাদিকে কেমেৰাৰ সন্মুখত কথা কয়।

১০নং প্ৰশ্নৰ উত্তৰ ঃ ENG অথবা 'ইলেক্ট্ৰনিক নিউজ গেদাৰিং' মানে হ'ল ভিডিঅ' টেইপ

অথবা ডিজিটেল সা-সঁজুলিৰ সহায়ত কৰা সংবাদ সংগ্রহ। আগতে টিভিৰ বাবে সংবাদ সংগ্রহ কৰিবলৈ সাংবাদিকসকলে পৰম্পৰাগত ফিল্ম কেমেৰা ব্যৱহাৰ কৰিছিল।

১১নং প্রশ্নৰ উত্তৰ ঃ এখন নিউজ বুলেটিনত সম্প্রচাৰিত হোৱা অধিকাংশ বাতৰিৰে গাঁথনি সৰল। আনকি বোলছবি বিষয়ক প্রতিবেদন অথবা সাক্ষাৎকাৰ আদিৰ দৰে একাধিক উপাদান সমৃদ্ধ বাতৰিও পার্যমানে সৰল কৰি তোলাৰ প্রয়াস কৰা হয়।

- বাতৰিবোৰৰ একোটা 'পৰিচয়' (Introduction) থাকে। পৰিচয়বোৰে ইংৰাজী 'ডব্লিউ' (W) আখৰেৰে আৰম্ভ হোৱা কেইটামান শব্দই সৃষ্টি কৰা প্রশ্নৰ উত্তৰ দিয়ে। সেই প্রশ্নকেইটা হ'ল— কোন (Who), কি (What), ক'ত (Where), কেতিয়া (When) আৰু কিয় (Why)। ই ঘটনা এটা 'কেনেকৈ' (How) ঘটিল সেই প্রশ্নৰ অৱতাৰণা কৰিব পাৰে। কিন্তু যদি পৰিচয়ৰ পর্বতেই এই সকলোবোৰ প্রশ্নৰ উত্তৰ বিস্তৃতভাৱে লাভ কৰা যায় তেন্তে ঘটনা এটাৰ দীঘলীয়া বর্ণনা অপ্রয়োজনীয়। সেয়েহে বাতৰি এটাৰ 'পৰিচয়' অংশটোৱে কিছুমান প্রশ্নৰ উত্তৰ নিদিয়াকৈ আগবাঢ়ি যাব পাৰে। লগতে ই আন কিছুমান আনুষংগিক প্রশ্ন উত্থাপন কৰিব পাৰে অথবা অনুসন্ধানৰ প্রয়োজনীয়তা থকা আন কিছুমান বিশেষ সমস্যাৰ কথা বর্ণনা কৰিব পাৰে। কেতিয়াবা কোনো বাতৰিৰ 'পৰিচয়' অংশ অত্যাধুনিক হ'ব পাৰে। ই বাতৰিটোৰ 'কোন' (Who) তথা 'ক'ত' (Where) প্রশ্ন দুটাৰ স্পষ্ট উত্তৰ দিব পাৰে। কিন্তু 'কিয়' (Why), 'কেনেকৈ' (How) আৰু 'কি'ৰ (What) উত্তৰ প্রধান প্রতিবেদনখনৰ পৰাহে গম পোৱাৰ অৱকাশ ৰাখে।
- তাৰপাছত আহে বাতৰি এটাৰ 'প্রধান অংশ'টো (Main Body)। এই অংশটোৱে উত্থাপিত আটাইবোৰ প্রশ্নৰ উত্তৰ দিয়ে। উত্তৰবোৰ বিস্তৃতভাৱে দিয়াৰ প্রয়াস কৰা হয়। এই বিস্তৃত প্রতিবেদনৰ এটা অংশ জুৰি থাকে দৃশ্য-শ্রব্য ছবিৰে যাতে বাতৰিটোৰ যথার্থতা সম্পর্কে দর্শকক পতিয়ন নিয়াব পৰা যায়।
- বাতৰিৰ শেষৰ অংশটো হ'ল 'সামৰণি'। এই অংশটোত বাতৰি সামৰা হয়। আধৰুৱা, অসমাপ্ত কথাবোৰক সুবিন্যস্তভাৱে সজোৱা হয়। সকলো সামৰণিকে অৱশ্যে সুবিন্যস্ত আখ্যা দিব পৰা নাযায়। কিছুমান সামৰণিয়ে সমস্যা এটাৰ সমাধান যে ভৱিষ্যতেহে সম্ভৱ হ'ব তাৰ ইংগিত প্রদান কৰিব পাৰে।

১২নং প্রশ্নৰ উত্তৰ ঃ পাঁচটা ডব্লিউ হৈছে - Who, What, When, Where আৰু Why.

১৩নং প্রশ্নৰ উত্তৰ ঃ টেলিভিছন সংবাদ বুলেটিনৰ মুখ্য অংশ হৈছে ইয়াৰ দৃশ্যাংশসমূহ। দর্শকসকলক আকর্ষিত কৰাৰ উপৰি দৃশ্যসমূহে এটা সংবাদক অধিক বুজিব পৰা ধৰণৰ আৰু সত্যনিষ্ঠ কৰি তোলে।

১৪নং প্রশ্নৰ উত্তৰ ঃ এটা টেলিভিছনৰ নিউজ ষ্টাৰিত সংখ্যা বা অংক লিখা প্রাথমিক নীতিসমূহ হৈছে—

- সংখ্যাসমূহ একৰ পৰা এঘাৰলৈ কৰি লিখিব লাগে। ১২-৯৯৯লৈ সংখ্যা চিহ্নৰে লিখিব লাগে। ৯৯৯ ঊর্ধৰ সংখ্যাৰ ক্ষেত্রত হাইফেনযুক্ত সংখ্যা আৰু শব্দ লিখিব লাগে।

ইংৰাজীত তেনে এটা উদাহৰণ হৈছে— 33 thousand।

- য'ত প্ৰকৃত সংখ্যাৰ উল্লেখ বাঞ্ছনীয় তাতহে সেই সংখ্যাটো উল্লেখ কৰিব।
- টেলিভিছনৰ বাতৰিত ইংৰাজীত তাৰিখ, ঠিকনা আৰু সংখ্যা লিখোতে সেইবিলাক সাধাৰণ সংখ্যা হিচাপে পঢ়িব লাগে (উদাহৰণ স্বৰূপে, 2nd street, May 14th ইত্যাদি)

১৫নং প্ৰশ্নৰ উত্তৰ ঃ যেতিয়া টেলিভিছনৰ বাতৰিৰ বাবে উপাধি আৰু নাম লিখা হয়, তেতিয়া তলত উল্লেখ কৰা নীতিসমূহ অনুসৰণ কৰিব লাগে—

- উপাধি নামৰ আগত যায়।
- প্ৰথমবাৰ কাৰোবাৰ নাম উল্লেখ কৰিলে সম্পূৰ্ণ নামটো ক'ব। তাৰ পিছৰ বাৰ কেৱল তেওঁৰ নামটো বা তেওঁৰ উপাধিটো উল্লেখ কৰিব।
- ষ্ট'ৰিটোত যিবোৰ নাম আৰু ঠাই সন্দেহজনক আৰু ষ্ট'ৰিটোৰ অৰ্থ ফুটাই তোলাত সহায়ক নহয়, তেনেবিলাক মানুহৰ নাম আৰু ঠাইৰ নাম উল্লেখ নকৰিব।
- জটিল উচ্চাৰণৰ বাবে ধ্বনিসূচক বানান প্ৰয়োগ কৰিব।
- যদিহে বয়সৰ উল্লেখ কৰিবলগীয়া হয়, বয়সটো নামৰ আগত দিব লাগে। যেনে— পীড়িতজন ২১ বছৰীয়া।

১৬নং প্ৰশ্নৰ উত্তৰ ঃ পোনপটীয়া লেখা।

১৭নং প্ৰশ্নৰ উত্তৰ ঃ যেতিয়া কোনো এটা দৃশ্য বাস্তৱত দেখুওৱাটো সম্ভৱ নহয় বা যেতিয়া সাংবাদিক গৰাকীয়ে দেখুওৱাটো বিচাৰে, তাকেই ব্ৰিজ পিটিচি বুলি কোৱা হয়। কেতিয়াবা ষ্ট'ৰিটোত কিবা বিচ্যুতি ঘটিলেও ব্ৰিজ পিটিচি প্ৰয়োগ কৰা হয়।

১৮নং প্ৰশ্নৰ উত্তৰ ঃ পাঁচটা ডব্লিউ **(5W)** আৰু এটা এইচ (1H) হ'ল— কোন (Who), কি (What), কেতিয়া (When), ক'ত (Where), কিয় (Why) আৰু কেনেকৈ (How).



১০.১১ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ এটা নিউজ চেনেলৰ ডি-ফেক্ট' কেপ্টেইন বুলিলে কাক বুজা যায়?

প্ৰশ্ন ২ ঃ ষ্ট্ৰিংগাৰসকল টেলিভিছন ষ্টেচনৰ স্থায়ী কৰ্মচাৰী নে?

প্ৰশ্ন ৩ ঃ নিউজ ৰিপ'ৰ্ট আৰু নিউজ পেকেজৰ মাজত কিবা সাধাৰণ পাৰ্থক্য আছেনে?

প্ৰশ্ন ৪ ঃ নিউজ কাষ্টাৰ বুলিলে কাক বুজায়?

প্ৰশ্ন ৫ ঃ ৰায়াৰ কপি বুলিলে কি বুজে?

খ) চুটি প্ৰশ্ন (প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ এটা নিউজ চেলেনত এগৰাকী নিউজ এডিটৰৰ ভূমিকা কি?

প্রশ্ন ২ ঃ টেলিভিছনৰ সংবাদ সম্পাদনাৰ প্রয়োজনীয়তা কি?

প্রশ্ন ৩ ঃ এজন টেলিভিছন সাংবাদিকে কি কাৰণে টেলিভিছনৰ ভাষাত কথা ক'ব লাগে? কাৰণ দর্শাওক।

প্রশ্ন ৪ ঃ কি কাৰণে এগৰাকী টেলিভিছনৰ নিউজ ৰিপ'টাৰে চলচ্চিত্র নির্মাণৰ প্রাথমিক জ্ঞান আয়ত্ত কৰিব লাগে?

গ) ৰচনাধর্মী প্রশ্ন (প্রত্যেকটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ 'সংবাদ গোটোৱাটো এটা বিশিষ্ট ক্ষেত্র আৰু প্রতিটো মুহূর্তৰ সংবাদ যুগুতাই দিব পৰাকৈ তাৰ বাবে বিশেষ নৈপুণ্য (Skill)ৰ প্রয়োজন।' —ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ টেলিভিছন নিউজ ৰিপ'টাৰৰ বৈশিষ্ট্যসমূহ কি কি?

প্রশ্ন ৩ ঃ ভাৰতত নিউজ চেনেলসমূহৰ উত্তৰোত্তৰ বিকাশত অৰিহণা যোগোৱা উপাদানসমূহ কি কি?

প্রশ্ন ৪ ঃ ভাৰতত টেলিভিছন সংবাদৰ পৰিসৰ কি?

প্রশ্ন ৫ ঃ কেনেকৈ ই.এন.জি. (ENG)ৰ অভ্যুদয়ে টেলিভিছন ৰিপ'র্টিঙৰ সম্পূর্ণ দৃশ্যপট সলনি কৰিলে?

প্রশ্ন ৬ ঃ টেলিভিছনৰ বাবে সংবাদ লেখনৰ মূল বৈশিষ্ট্যসমূহ কি কি?

প্রশ্ন ৭ ঃ কেনেকৈ আৰু কিয় আপুনি এইটো ভাবে যে টেলিভিছন নিউজ কন্টেণ্টৰ মানদণ্ড ক্রমশঃ নিম্নগামী হৈ আহিছে?

*** ***** ***